www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## অৰুণাচলত নতুন ফায়াৰিং ৰেঞ্জ

**ইটানগৰ, ২ অক্টোবৰঃ** ভাৰতীয় ভূমিত ৰঙা চীনৰ বাৰাম্বাৰ আগ্ৰাসনৰ প্ৰত্যুত্তৰ দিবলৈ ৩ পৃষ্ঠাত চাওক

THURSDAY, OCTOBER 03, 2024 ■ বৃহস্পতিবাৰ।। ১৬ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭১ Guwahati, Assam ।। মূল্যঃ এটকা

## ৮ বছৰ পূৰ্বে এটকা বাঢ়িলেই আন্দোলন কৰাসকল এতিয়া নিশ্চুপ

# বিজেপিৰ দিনত ২০০% মূল্যবৃদ্ধি

**ই-সংবাদ, ২ অক্টোবৰঃ** ৮-১০ বছৰ পূৰ্বে পেট্ৰ'ল-ডিজেল বা ৰন্ধন গেছৰ দাম ২০ পইছা বাঢ়িলেই ৰাজপথলৈ ওলাই আহিছিল জনতা। অসমৰ অগণন দল-সংগঠনে ৰাজপথত তেতিয়াৰ প্ৰধানমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি ৰাজপথ উত্তাল কৰিছিল। ঘণ্টাৰ পাছত ঘণ্টা ধৰি পথ অৱৰোধ কৰিছিল। সংগঠনৰ লগতে বিৰোধী দলেও সাব্যস্ত কৰিছিল চকুত লগা প্ৰতিবাদ। ডিঙিত পিঁয়াজৰ মালা



ফাইল ফটো

পিন্ধি লৈ প্ৰতিবাদ কৰিছিল একাংশ বিৰোধী নেতাই। একাংশই আকৌ গৰু গাড়ীত চিলিণ্ডাৰ লৈ ৰেলী কৰিছিল। বিৰোধী আৰু দল-সংগঠনৰ হাল্লাবোলত মহা বিপদত পৰিছিল শেষাংশ ৪ পৃষ্ঠাত

## মদ খুৱাবলৈ বিহাৰত পিকেই খুলিলে দল

**পাটনা, ২ অক্টোবৰঃ** নিজাকৈ ৰাজনৈতিক দল ঘোষণা কৰিয়েই বিহাৰত সুৰাৰ বিক্ৰীৰ ওপৰত নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিবলৈ দাবী জনালে ৰাজনৈতিক ৫ পৃষ্ঠাত চাওক

## ২০২৬ৰ নিৰ্বাচনত সত্যৰ জয় হ'ব বুলি দাবী সাংসদ গৌৰৱ গগৈৰ



**ই-সংবাদ, ২ অক্টোবৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীতো কংগ্ৰেছে আজি গান্ধী জয়ন্তী পালন কৰে। গুৱাহাটীৰ ৰাজীৱ ভৱনত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। গান্ধীৰ শেষাংশ ২ পৃষ্ঠাত

## মধ্য প্ৰাচ্যত আকৌ বাজিছে যুদ্ধৰ দামামা

**তেল আভিভ, ২ অক্টোবৰঃ** ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৰ সতৰ্কবাণীৰ পিছত ইৰানে বন্ধ কৰি দিলে নিজৰ আকাশমাৰ্গ। বৃহস্পতিবাৰে পুৱালৈকে আৰোপ কৰা এই নিষেধাজ্ঞাৰ শেষাংশ ৫ পৃষ্ঠাত

## প্ৰিয়াংক খাৰ্গেৰ প্ৰশ্নত উত্তৰবিহীন মুখ্যমন্ত্ৰী

**ই-সংবাদ, ২ অক্টোবৰঃ** মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰ প্ৰিয়াংক খাৰ্গেৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজৰ বাকযুদ্ধই আকৰ্ষণীয় ৰূপ লৈছে। ইতিমধ্যে প্ৰিয়াংক খাৰ্গেৰ বিৰুদ্ধে জাগীৰোড আৰু ৰাজীৱ ভৱনত বিজেপিয়ে প্ৰতিবাদ সাব্যস্ত কৰিছে। প্ৰিয়াংক খাৰ্গেয়ে অসমত ছেমি কণ্ডাক্টৰ প্ৰকল্প স্থাপনৰ বিৰোধ কৰাৰ অভিযোগ উত্থাপন কৰি বিজেপি নেতাই কংগ্ৰেছক আক্ৰমণ কৰি আহিছে। আজি প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে অসম ভ্ৰমণৰ সময়ত শেষাংশ ২ পৃষ্ঠাত

## জাহাজলৈ জাঁপ কাজিৰঙাৰ ৰজাৰ

**ই-সংবাদ, ২ অক্টোবৰঃ** কাজিৰঙাৰ ৰজা জীতেন গগৈয়ে অহা ৪ অক্টোবৰত পানী জাহাজত উঠিব। এই কথা শেষাংশ ৪ পৃষ্ঠাত

### সামান্য কথাতে আক্ৰমণ

## যোৰাবাটত চালকৰ প্ৰহাৰত নিহত ধ্ৰুৱ

**ই-সংবাদ, ২ অক্টোবৰঃ** মানুহক হিংসাত জড়িত হ'বলৈ ৰজাপক্ষই চক্ৰবেহু ৰচনা কৰি ভাষণ দিয়ে, কাম-কাজ কৰে তেতিয়াই সমাজত অমংগলীয় কাৰ্য শেষাংশ ৩ পৃষ্ঠাত



যুদ্ধৰ দামামা... ইজৰাইলৰ আকাশত ইৰানৰ ক্ষেপণাস্ত্ৰ

## জিআই টেগ পালে জনগোষ্ঠীয় ৮ সামগ্ৰীয়ে

**ই-সংবাদ, ২ অক্টোবৰঃ** গান্ধী জয়ন্তীৰ দিনটোতে বড়ো জনগোষ্ঠীৰ বাবে আহিছে বৃহৎ প্ৰাপ্তিৰ খবৰ। বড়ো জনজাতিৰ পৰম্পৰাগত খাদ্য-সামগ্ৰীক ভৌগোলিক শেষাংশ ৩ পৃষ্ঠাত

## আকৌ ৰক্তাক্ত মণিপুৰ, এজন নিহত

**ইম্ফল, ৩ অক্টোবৰঃ** পুনৰ উত্তপ্ত হৈ পৰিছে মণিপুৰ। বিগত বৰ্ষৰ পৰাই ৰক্তাক্ত পৰিৱেশৰ সৃষ্টি হৈ থকা উত্তৰ-পূবৰ শেষাংশ ৪ পৃষ্ঠাত

## স্বয়ম্ভু ধৰ্মগুৰু সদগুৰুৰ বিৰুদ্ধে গোচৰ

**চেন্নাই, ২ অক্টোবৰঃ** যুৱতীসকলৰ ব্ৰেইনৱাছ কৰি নিজৰ সেৱা আশ্ৰমৰ যোগ কেন্দ্ৰত আৱদ্ধ কৰি ৰাখিছে এজন স্বঘোষিত ধৰ্মগুৰুৱে। শেহতীয়াকৈ সদগুৰুৰ বিৰুদ্ধে এই বিস্ফোৰক অভিযোগ তুলি মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে তামিলনাডুৰ এগৰাকী অধ্যাপকে। আদালতত দাখিল কৰা অভিযোগ অনুসৰি, অধ্যাপকগৰাকীৰ দুই কন্যাৰ ব্ৰেইনৱাছ কৰি ঈশা ফাউণ্ডেশ্যনৰ যোগ কেন্দ্ৰত আৱদ্ধ কৰি ৰাখিছে সদগুৰুৱে। ইফালে স্বঘোষিত ধৰ্মগুৰু সংস্থাটোৰ শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰিয়াংক খাৰ্গেৰ প্ৰশ্নত উত্তৰবিহীন

স্পষ্টীকৰণ দিছিল। জীতেন্দ্ৰ সিঙে স্পষ্টিকৰণ দি কয় যে মই প্ৰিয়াংকৰ সৈত কথা পাতিছো। তেওঁ মোক কৈছে যে অসমত যিসমূহ উদ্যোগ আছিল সেইসমূহে অসম এৰি আছে। অসমত ক্ষুদ্ৰ, বৃহৎ উদ্যোগ স্থাপন হ'লে তাত মোৰ আপত্তি নাই। বিৰোধ নকৰো। পূৰ্বৰ পৰা থকা উদ্যোগসমূহক বন্ধ কৰাতো বন্ধ হওক বুলিও প্ৰিয়াংক খাৰ্গেয়ে কোৱা বুলি কয় জীতেন্দ্ৰ সিঙে। জীতেন্দ্ৰ সিঙে স্পষ্টিকৰণ দিয়াৰ পাছতে আকৌ এবাৰ এক্সত হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰে প্ৰিয়াংক খাৰ্গেয়ে। এইবাৰ হিমন্ত বিশ্ব শৰ্মাই এক্সত দিয়া এটা পোষ্টক ৰি-পোষ্ট কৰি ৫টা প্ৰশ্নৰ উত্তৰ বিচাৰে খাৰ্গেয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আপুনি নিজ নিজ ৰাজ্যৰ স্বাৰ্থ ৰক্ষা কৰাটোক 'মাষ্টাৰষ্ট্ৰোক' বুলি গণ্য কৰে। মই যদি কৰ্ণাটকৰ স্বাৰ্থ ৰক্ষা কৰো তেন্তে অসম বিৰোধী বুলি কোৱা হৈছে। তৈলমৰ্দন কৰাৰ পৰিৱৰ্তে আপুনি অসমক দুটা, কৰ্ণাটকক দুটা আৰু গুজৰাটক এটা ছেমি কণ্ডাক্টৰ প্ৰকল্প দিবলৈ আপোনাৰ প্ৰধানমন্ত্ৰীক কোৱা নাই কিয়? লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰিয়াংক খাৰ্গেয়ে ৫টা প্ৰশ্ন কৰে। কংগ্ৰেছ দল আৰু মোৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰাৰ পৰিৱৰ্তে অসমৰ জনসাধাৰণক প্ৰশ্নৰ উত্তৰ দিয়ক বুলি ৫টা প্ৰশ্ন কৰে কৰ্ণাটকৰ মন্ত্ৰীগৰাকীয়ে। এই পাঁচটা প্ৰশ্ন হৈছে, নগাঁৱৰ সমবায় চেনিকল বন্ধ কৰা হ'ল কিয়? ৰাজুহৱা খণ্ডৰ অসম চাহ নিগম লিমিটেডে ১৫খন বাগিচাৰ ভিতৰত ১২খন বাগিচা ব্যক্তিগত খণ্ডক লীজত দিছে কিয়? নগাঁও আৰু কাছাৰ কাগজ কল বন্ধ হ'ল কিয়? অসমৰ ৫৬খন চাহ বাগিচা হয় পুনৰ্গঠন কৰি হয় তেওঁলোকৰ শ্বেয়াৰ হোল্ডিং স্থানান্তৰিত কৰা হৈছে, নহয় বন্ধ কৰা হৈছে কিয়? প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডে ৰাজ্য চৰকাৰৰ ৰাজসাহায্য পালে কিয়? মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকাসহ কেইবাগৰাকী বিজেপি নেতাই প্ৰিয়াংক খাৰ্গেয়ে অসম বিৰোধী মন্তব্য দিয়া বুলি কঠোৰ সমালোচনা কৰি গৈছে। এদিন পূৰ্বে জাগীৰোডত প্ৰতিবাদ কৰিছিল বিজেপিয়ে। সেই প্ৰতিবাদী কাৰ্যসূচীৰ ভিডিঅ' মুখ্যমন্ত্ৰীয়ে এক্সত পোষ্ট কৰি আক্ৰমণ কৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰ প্ৰিয়াংক খাৰ্গেক। তাৰেই প্ৰত্যুত্তৰ দি এই ৫টা প্ৰশ্ন কৰে প্ৰিয়াংক খাৰ্গেয়ে। কিন্তু মুখ্যমন্ত্ৰীয়ে ৫টা প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে প্ৰিয়াংক খাৰ্গেক। মাথো প্ৰিয়াংক খাৰ্গেক ধন্যবাদ দি ক'লে যে কৰ্ণাটকৰ মন্ত্ৰীয়ে যেতিয়া অসম আৰু ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ কথা ক'ব তেতিয়া কেৱল মই আন্তৰিকতাৰে ভগৱানক ধন্যবাদ দিব পাৰো। উল্লেখ্য যে, মধ্য অসমৰ জাগীৰোডত টাটাই ৰাজ্য চৰকাৰৰ সহযোগত ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰিছে। ২৫ ছেপ্টেম্বৰত কংগ্ৰেছ নেতা তথা কৰ্ণাটকৰ তথ্য-প্ৰযুক্তি মন্ত্ৰী প্ৰিয়াংক খাৰ্গেই বিজেপি শাসিত ৰাজ্য গুজৰাট আৰু অসমতে কেৱল ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰাত প্ৰশ্ন উত্থাপন কৰিছিল। এন প্ৰশ্ন কৰাত প্ৰিয়াংক খাৰ্গেৰ বিৰুদ্ধে ৰাজীৱ ভৱনৰ সন্মুখত আৰু জাগীৰোডৰ প্ৰকল্পস্থলীত প্ৰতিবাদ সাব্যস্ত কৰে বিজেপি দলে। প্ৰকৃততে এটাও ছেমি কণ্ডাক্টৰ প্ৰকল্প কংগ্ৰেছ শাসিত ৰাজ্যত নিদিয়াত কংগ্ৰেছ নেতা তথা কৰ্ণাটকৰ তথ্য-প্ৰযুক্তি মন্ত্ৰী প্ৰিয়াংক খাৰ্গেয়ে ৫টা ছেমি কণ্ডাক্টৰ ইউনিটৰ ৪টা গুজৰাটক আৰু এটা অসমক দিয়া হৈছে, কিন্তু কৰ্ণাটকক কিয় এটাও দিয়া নহ'ল বুলি কেন্দ্ৰীয় চৰকাৰক প্ৰশ্ন কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৬ৰ নিৰ্বাচনত সত্যৰ জয়

প্ৰতিচ্ছবিত কংগ্ৰেছৰ নেতা-কৰ্মীয়ে পুষ্পাঞ্জলি অৰ্পণ কৰি গান্ধীক স্মৰণ কৰে। ৰাজীৱ ভৱনত প্ৰাক্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীকো কংগ্ৰেছীসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে গৌৰৱ গগৈৰ উপস্থিতিত গুৱাহাটীৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্স চৌহদত গান্ধী জয়ন্তী উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। গান্ধী জয়ন্তী উপলক্ষে অসম প্ৰদেশ কংগ্ৰেছে আয়োজন কৰা সৰ্বধৰ্ম প্ৰাৰ্থনা সভা আৰু আলোচনা চক্ৰত লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি তথা সাংসদ গৌৰৱ গগৈ উপস্থিত থাকে। গৌৰৱ গগৈয়ে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীক স্মৰণ কৰি কংগ্ৰেছীসকল উদ্দেশ্যে বিশেষ ভাষণ প্ৰদান কৰে। বিজেপিৰ নাম নোলোৱাকৈ দেশত আজিও গান্ধী আৰু গডছেৰ আদৰ্শক মানি চলা মানুহ আছে বুলি বিজেপিক তীব্ৰ আক্ৰমণ কৰে। গগৈয়ে হিমন্ত বিশ্ব শৰ্মা চৰকাৰক আক্ৰমণ কৰি ঘৃণা, অহংকাৰৰ পৰাজয় হ'ব বুলি দাবী কৰে। সাংসদ গগৈয়ে দলৰ নেতা-কৰ্মীক উদ্দেশ্যে কয় যে আমি মহাত্মা গান্ধীৰ সৈনিক। সৈনিক হিচাপে গান্ধীৰ আদৰ্শ, বিচাৰধাৰা জীয়াই ৰখাটো আমাৰ কৰ্তব্যৰ। তাহানিতে মহাত্মা গান্ধীৰ বিচাৰধাৰা কিছুমান সংগঠন আৰু ব্যক্তিয়ে ভাল পোৱা নাছিল। জীৱিত অৱস্থাত গান্ধীক বিৰোধিতা কৰিছিল। তেনে লোকৰ প্ৰতিনিধি নাথুৰাম গডছেয়ে গান্ধীক অৱশেষত হত্যা কৰিছিল। আজিও সেই চিন্তাধাৰা, বিচাৰধাৰাৰ বিৰুদ্ধে যুদ্ধ চলি আছে। আমি যেনেদৰে মহাত্মা গান্ধীৰ আদৰ্শক মনা লোক জীৱিত আছো, তেনেকৈয়ে গডছেৰ আদৰ্শক মনা লোকো জীৱিত আছে। যুঁজ চলি আছে। ইতিহাস অধ্যয়ন কৰিলে যুঁজত সত্যৰ জয় হ'ব। গৌৰৱ গগৈয়ে অহা বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ জয় নিশ্চিত বুলি দাবী কৰি কয় যে অহা বিধানসভাত জয় সত্যৰ হ'ব। ৰাইজৰ জয় হ'ব। ঘৃণা, অহংকাৰৰ পৰাজয় হ'ব। অত্যাচাৰৰ পৰাজয় হ'ব। বিভাজনকাৰী ৰাজনীতিৰ পৰাজয় হ'ব। গান্ধীৰ আদৰ্শ আমি নিৰন্তৰ ৰাইজৰ মাজলৈ নিয়াৰ চেষ্টা কৰিম। মাথো এটা দিনত নহয়, আমি পৰৱৰ্তী সময়ত সম্ভাৱনা যাত্ৰা কৰিম। গান্ধীয়ে গ্ৰাম্য অৰ্থনীতি, পিছপৰা শ্ৰেণীৰ উন্নয়নৰ চিন্তা কৰিছিল। সেই চিন্তা আমি জীয়াই ৰাখিব লাগিব। সেয়েহে আমি জাতিগত জনগণনা কৰিব বিচাৰিছো। হৰিজনসকল কিমান আগবাঢ়িছে। কিমান পিছপৰি ৰৈছে। সেয়া আমি চাব খুজিছো। তেওঁলোকৰ মানসিক, সামাজিক সাংস্কৃতিক, আৰ্থনৈতিকভাৱে উন্নয়ন হৈছে নে নাই সেয়া চাব লাগিব। আনহাতে, চৰকাৰী চাকৰি বিজেপিৰ মানুহে লাভ কৰাৰ অভিযোগ আনি গগৈয়ে কয় যে আজি চৰকাৰে টকা দিয়াত টাৰ্ম-এণ্ড-কণ্ডিচন বান্ধি দিছে। পইছা পাবলৈ হ'লে বিজেপি দলৰ সদস্য হ'ব লাগিব। এইখিনি কথাক লৈ আমি আগবাঢ়ি যাম। আমি মহাত্মা গান্ধীৰ সৈনিক। লোকসভা নিৰ্বাচনত মোক অভিমন্যুৱে সহায় কৰিছিল। এইবাৰৰ নিৰ্বাচনত প্ৰত্যেকজন কংগ্ৰেছ কৰ্মীয়ে অৰ্জুনৰ দৰে কাম কৰিব লাগিব। অৰ্জুনৰ দৰে নিজ বুথ, পঞ্চায়ত আৰু বিধানসভা সমষ্টিৰ দায়িত্ব ল'ব লাগিব। মোক মাত্ৰ সময় দিয়ক। মই দলৰ পৰা বিচাৰিছো সময়। পদবী নালাগে। বিশেষ ভূমিকা নালাগে। অসমৰ ৰাইজৰ ওচৰত যাবলৈ সময় দিয়ক বুলিও দলক কয় গগৈয়ে।




গ্ৰীণ বডোলেণ্ড মিছনৰ প্ৰতিজ্ঞা গ্ৰহণ অনুষ্ঠানত প্ৰমোদ বড়োৰ সৈতে একাংশক দেখা গৈছে, কোকৰাঝাৰত বুধবাৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

# যোৰাবাটত চালকৰ প্ৰহাৰত

সংঘটিত হয়। হিংসা, বিদ্বেষ, ঘৃণা, বৈষম্য বিয়পোৱা মানুহক নিয়ন্ত্ৰণ কৰাৰ পৰিবৰ্তে ভাষণত একাংশ মানুহক উৎসাহী কৰা হয় তেতিয়াই সমাজত বিশৃংখলতাৰ সৃষ্টি হোৱাটো অৱধাৰিত। যদি সমাজে ঐক্যবদ্ধ হৈ হিংসা, বিদ্বেষ, ঘৃণা, বৈষম্য বিয়পোৱা মানুহক বাধা নিদিয়ে তেতিয়াই সমাজৰ একাংশ হিংসুক নিৰ্দয় হৈ পৰে আৰু মানুহৰ প্ৰাণ ল'বলৈ উদগ্ৰীৱ হয়। কথা যেন এতিয়া তেনেকুৱাই। শেহতীয়াকৈ ৰাজ্যখনত সংঘটিত ঘটমনাই বহু কথাৰ ইংগিত দিছে। দৰং জিলাৰ ছিপাঝাৰৰ পদুমপুখুৰী হাই স্কুলত দশম শ্ৰেণীৰ ছাত্ৰৰ প্ৰহাৰত নৱম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যু হৈছে। জ্যেষ্ঠ ছাত্ৰৰ প্ৰহাৰত ভৱেশ ডেকা নামৰ নৱম শ্ৰেণীত অধ্যয়ৰত ছাত্ৰই অকালতে প্ৰাণ হেৰুৱাই। এই ঘটনাই অসমীয়া সমাজখনক জোকাৰি গৈছে। কিন্তু মানুহে শিক্ষা লোৱা নাই। এইখন অসমত পুনৰবাৰ ভয়ংকৰ কাণ্ড সংঘটিত হৈছে। গুৱাহাটীৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান কটন বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক অধীক্ষকক নৃশংসভাৱে হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে। প্ৰশাসনিক অধীক্ষকক ধ্ৰুৱজ্যোতি বৰ্মনক হত্যা কৰা হৈছে। ইতিমধ্যে আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ঘটনাৰ তদন্ত কৰা বুলি জানিব পৰা গৈছে। খবৰ মতে, কটন বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক অধীক্ষক বৰ্মনে গুৱাহাটীৰ পৰা তেজপুৰ অভিমুখে যাত্ৰা কৰি আছিল। তেতিয়া সময় পুৱা প্ৰায় ৭-৩০ বাজিছিল। গাড়ী চলাই গৈ থকাৰ সময়তে এখন ট্ৰাকে খুন্দা মাৰিছিল বৰ্মনৰ বাহনত। ট্ৰাকখনৰ নম্বৰ হৈছে এনএল-০১-এএইচ-২৭৮৯। এই ট্ৰাকখনে বৰ্মনৰ এএছ-০১-এফটি-২১৭০ নম্বৰৰ ৰেনল্ট বাহনখনক পিছফালৰ পৰা খুন্দা মৰাৰ অভিযোগ উঠিছে। তাৰ পাছতেই বৰ্মনৰ সৈতে ট্ৰাকচালকসকল তৰ্কত লিপ্ত হয়। তৰ্কৰ মাজতে এজন ট্ৰাকচালকে ৰদ এডালেৰে বৰ্মনৰ মূৰত প্ৰহাৰ কৰে। ৰদৰ কোব মূৰত লগাত ৰক্তক্ষৰণ হৈ ঢ়লি পৰে বৰ্মন। পাছত বৰ্মনে মৃত্যুক আকোৱালি লয়। যোৰাবাটৰ দৰে ব্যস্ত এলেকাত ট্ৰাকচালকে মৰিয়াই মৰিয়াই হত্যা কৰাৰ পাছতো ধ্ৰুৱজ্যোতি বৰ্মনক উদ্ধাৰ কৰিবলৈ কোনো লোক আগুৱাই অহা নাহিল। আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৈ প্ৰেৰণ কৰে মৃতদেহ। পথত সংঘটিত দুৰ্ঘটনাক লৈ নৃশংসভাৱে এগৰাকী নিৰীহ লোকক হত্যা কৰা হয়। এই ঘটনাৰ পাছতে প্ৰশ্ন উঠিছে সমাজৰ একাংশ লোকৰ হৈছে কি? সমাজৰ একাংশ লোক অসহিষ্ণু হৈ পৰিছে কিয়? অসহিষ্ণুতাৰ পাৰা পুৰা মাত্ৰাই বৃদ্ধি পাইছে। যেন সকলো সীমা পাৰ কৰিছে। সাধাৰণ কথাতে বেত্ৰঘাত কৰি মানুহক মাৰি পেলাব পৰা হ'ল। এনে অসহিষ্ণু লোকৰ হাততে এজন উচ্চ শিক্ষিত তথা মানৱ সম্পদৰ গঢ়াৰ খনিকৰৰ প্ৰাণ গ'ল। লগতে ধ্ৰুৱজ্যোতি বৰ্মনৰ মৃত্যুৱে এটা কথা প্ৰমাণ কৰিলে যে অসমৰ পথত অসুৰক্ষিত যাত্ৰী। এই ঘটনাক লৈ এতিয়া সমগ্ৰ ৰাজ্যতে চাঞ্চল্যৰ সৃষ্টি হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জিআই টেগ পালে জনগোষ্ঠীয়

স্বীকৃতি অৰ্থাৎ জিআই টেগ প্ৰদান কৰা হৈছে। মহামানৱ মহাত্মা গান্ধীৰ জন্ম জয়ন্তীৰ দিনটোত অসমীয়া জাতি তথা বড়ো জনজাতিয়ে বিশেষ উপহাৰ লাভ কৰাত অসমবাসী উৎফুল্লিত হোৱা পৰিলক্ষিত হৈছে। বড়ো ট্ৰেডিচনেল ব্ৰুৱেৰ এছ'ছিয়েশ্যনে দীৰ্ঘদিন ধৰি নেৰানেপেৰাকৈ প্ৰয়াস অব্যাহত ৰখাৰ অন্তত বড়ো জনজাতিৰ পৰম্পৰাগত খাদ্য-সামগ্ৰীয়ে ভৌগোলিক স্বীকৃতি লাভ কৰে। ভৌগোলিক স্বীকৃতি লাভ কৰা খাদ্য-সামগ্ৰীৰ ভিতৰত আছে বড়ো জৌ গোৰৰণ, মাইব্ৰা জৌ বিদ্বি আৰু বড়ো জৌ গিছি। এই তিনিবিধ হৈছে বড়ো জনগোষ্ঠীয়ে তৈয়াৰ কৰা পৰম্পৰাগত তথা বিশ্বত ক'তো বিচাৰি নোপোৱা একমাত্ৰ থলুৱা পানীয়। বড়ো জৌ গোৰৰণত ১৬.১১ শতাংশ বা তাতকৈ কিছু কম-বেছি এলক'হল সংমিশ্ৰিত হৈ থাকে। মাইব্ৰা জৌ বিদ্বি বড়ো জনজাতিয়ে আলহীক আদৰিবলৈ তৈয়াৰ কৰে। চাউলৰ পৰা তৈয়াৰ কৰা পানীয়ক ভগৱান শিৱৰ পৰা লাভ কৰা ঔষধি পানীয় বুলি গণ্য কৰে। অসমৰ অন্যতম ভূমিপুত্ৰ বড়োসকলৰ সমাজ ব্যৱস্থাত অতীজৰে পৰা পৰম্পৰাগত পানীয়ৰ ব্যৱস্থা আছে। এতিয়াৰ পৰা এই তিনিবিধ পানীৰ ওপৰত কেৱল বড়ো জনগোষ্ঠীৰ অধিকাৰ স্বীকৃত হৈ থাকিব। আন ৫ বিধ খাদ্য-সামগ্ৰীয়েও ভৌগোলিক স্বীকৃতি লাভ কৰিছে। বড়ো নাফাম, বড়ো অনলা, বড়ো গোৱাখাও আৰু বড়ো নাৰ্জী আৰু আৰনায়ে স্বীকৃতি লাভ কৰিছে। বড়ো নাফাম হৈছে মাছৰ পৰা তৈয়াৰ কৰা খাদ্য। নিজ ঘৰতে মাছ শুকাই ব্যঞ্জন প্ৰস্তুত কৰা হয়। মাছ ধৰি আনি ধোঁৱাৰে চালনিত শুকাই নিমখ দি সানি মাছ সংৰক্ষণ কৰি এইবিধ খাদ্য তৈয়াৰ কৰা হয়। বড়ো অনলা হৈছে খাৰেৰে তৈয়াৰী ব্যঞ্জন। পিঠাগুৰি, নহৰু, আদা, নিমখ আৰু খাৰৰ মিশ্ৰণৰে তৈয়াৰ কৰা হয় বড়ো অনলা। বিহুৰ সময়ত তথা বৈশাগু পালনৰ সময়ত প্ৰস্তুত কৰা বড়ো গোৱাখা বা গোৱাকা গোৱাখিয়ে লাভ কৰিছে ভৌগোলিক স্বীকৃতি। মৰাপাটৰ পৰা প্ৰস্তুত কৰা বড়ো জনজাতিৰ খাদ্য বড়ো নাৰ্জীয়েও ভৌগোলিক স্বীকৃতি লাভ কৰিছে। ভিটামিন, কেলচিয়াম আৰু মেগনেছিয়ামযুক্ত বড়ো জনজাতিৰ এনে খাদ্যসমূহৰ গুণগত মানদণ্ড অতি উন্নত। জিআই টেগ লাভ কৰা আৰনাই হৈছে বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত গলবস্ত্ৰ। বৈশাগু, বিভিন্ন ৰাজহুৱা সভা, আলহী-অতিথিক সন্মান জনাবলৈ আৰনাই প্ৰদান কৰা হয়। বিভিন্ন সময়ত পৰম্পৰাগত নাচ-গানত আৰনাই ব্যৱহাৰ কৰা হয়। বড়ো জনগোষ্ঠীৰ মুঠ তিনিবিধ পানীয়, চাৰিবিধ পৰম্পৰাগত খাদ্য আৰু গলবস্ত্ৰই ভৌগোলিক স্বীকৃতি লাভ কৰাত এতিয়া উৎফুল্লিত হৈ পৰিছে সমগ্ৰ বিটিআৰবাসী। এতিয়াৰ পৰা অন্য কোনো জনগোষ্ঠী বা সংস্থাই এই ৮ বিধ সামগ্ৰীক তেওঁলোকৰ বুলি দাবী কৰিব নোৱাৰিব। লগতে ব্যৱসায়ৰ নামত নকল কৰিব নোৱাৰিব। ইয়াৰ পূৰ্বে এপ্ৰিলমাহত বড়োসকলৰ বস্ত্ৰ আৰু বাদ্যসহ ১৩ বিধ সামগ্ৰীয়ে জিআই টেগ লাভ কৰিছিল। দখনা, চিফুং, এৰী কাপোৰ, জৌমগ্ৰা, বাড়ো গামচা, কোডাপিনি, থুড়খা, গংগাৰ দুনিজা, খাম, ছেৰজা, খাৰদৈ, গগণা আৰু জথাক জিআই টেগ প্ৰদান কৰা হৈছিল। বড়ো জনগোষ্ঠীৰ খাদ্য-সামগ্ৰীয়ে জিআই টেগ লাভ কৰাত শুভেচ্ছা জ্ঞাপন কৰিছে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। এক শুভেচ্ছা বাৰ্তাত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে আজি লাভ কৰা এই স্বীকৃতি বড়ো জনগোষ্ঠীটোলৈ এক ঐতিহাসিক আৰু আন্তৰ্জাতিক স্বীকৃতি বুলি মন্তব্য কৰি সন্তুষ্টি প্ৰকাশ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত নতুন ফায়াৰিং

এইবাৰ অৰুণাচলত নিৰ্মাণ কৰা হ'ল 'হাই এলটিটুড আৰ্টিলাৰী ফায়াৰিং ৰেঞ্জ'। উল্লেখ্য যে, অৰুণাচল প্ৰদেশৰ ডকলাম আৰু গালৱানত চীনৰ আগ্ৰাসনৰ পিছত এতিয়া পূব আৰু উত্তৰ-পূবত চীনৰ সামৰিক কৌশলৰ খবৰে পুনৰ এবাৰ উদ্বেগ বৃদ্ধি কৰিছে। এনে পৰিপ্ৰেক্ষিতত ৰঙা চীনক প্ৰত্যাক্ৰমণৰ কৌশল প্ৰস্তুত কৰাত সক্ৰিয় হৈ পৰিছে ভাৰতীয় সেনা। ইয়াৰ বাবেই কিছুবছৰ পূৰ্বে পৰ্বত যুদ্ধ পাকৈত পদাতিক বেটেলিয়নৰে গঠন কৰা হয় 'মাউন্টেন ষ্ট্ৰাইক কৰ্পছ' বাহিনী। তাৰ পিছত এইবাৰ অৰুণাচলৰ দুৰ্গম পাহাৰীয়া অঞ্চলত আৰ্মী আৰ্টিলাৰী ৰেজিমেণ্টৰ অনুশীলনৰ বাবে 'হাই এলটিটুড আৰ্টিলাৰী ফায়াৰিং ৰেঞ্জ' নিৰ্মাণ কৰিছে ভাৰতীয় সেনাই। সেনাৰ সূত্ৰ অনুসৰি দক্ষিণ তিব্বত সীমান্তত চীনৰ সামৰিক প্ৰস্তুতিৰ প্ৰতি সঁহাৰি জনাই অৰুণাচলত নিয়োজিত 'ব্ৰহ্মাস্ত্ৰ কৰ্পছ'ৰ অংশ হিচাপে এইবাৰ আৰ্টিলাৰী বাহিনীক সাজু কৰি ৰখা হ'ব। থলুৱা প্ৰযুক্তিৰে নিৰ্মিত ১০৫ মিমি ইণ্ডিয়ান ফিল্ড গানৰ লগতে তেওঁলোকৰ হাতত থাকিব আমেৰিকাৰ পৰা আমদানি কৰা ১৫৫ মিমি এম-৭৭৭ আল্ট্ৰালাইট হাউইটজাৰ। সেই বাহিনীৰ টাৰ্গেট প্ৰেকটিছ হ'ব টাৱাঙৰ আৰ্টিলাৰী ফায়াৰিং ৰেঞ্জত। সেনা আৰ্টিলাৰী কৰ্পছৰ জিঅ'চি লেফটেনেণ্ট জেনেৰেল অধোষ কুমাৰে কয়, "আমি যুদ্ধৰ প্ৰকৃত পৰিৱেশৰ লগত যাতে জোৱানসকলে খাপ খাব পাৰে, তাৰ বাবে ফায়াৰিং ৰেঞ্জ নিৰ্মাণ কৰিছো। পৰৱৰ্তী সময়ত হিমালয়ৰ উচ্চ পৰ্বতক্ষেত্ৰত আৰু দুটা ফায়াৰিং ৰেঞ্জ নিৰ্মাণ কৰা হ'ব।" উল্লেখ্য যে অৰুণাচলৰ সীমান্তত বিগত কিছু বছৰ ধৰি চীনে আগ্ৰাসী ৰূপ ধাৰণ কৰি আহিছে। অঞ্চলটোত চীনে লক্ষ্য ৰাখিছে বুলিও চৰ্চা চলি আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ ৰক্তাক্ত মণিপুৰ, এজন

এই পাহাৰীয়া ৰাজ্যখনত পুনৰ সংঘটিত হৈছে হত্যাৰ ঘটনা। মঙলবাৰে নিশা মণিপুৰৰ চুৰচান্দপুৰৰ লেইছাঙৰ সমীপত হত্যা কৰা হয় সশস্ত্ৰ কুকি গোটৰ এজন স্বঘোষিত কমাণ্ডাৰক। বুধবাৰে পুৱা সশস্ত্ৰ সংগঠনৰ নেতাজনৰ গুলীবিদ্ধ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছতে সৃষ্টি হয় উত্তেজনাৰ। ইফালে আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি পৰৱৰ্তী সময়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে চুৰাচান্দপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, মঙলবাৰে মাজনিশা কাপ্ৰং গাঁৱৰ নিৱাসী স্বঘোষিত কমাণ্ডাৰজনক আক্ৰমণ কৰে দুৰ্বৃত্তই। উল্লেখ্য যে, গাঁৱত 'ছেখোহাও' নামেৰে পৰিচিত ব্যক্তিজন আছিল ছেখোহা ইউনাইটেড কুকি ৰাষ্ট্ৰীয় সেনাবাহিনীৰো সদস্য। বুধবাৰে পুৱা চুৰাচান্দপুৰৰ টৰবুং বাংলোৰ সমীপত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়।প্ৰসংগক্ৰমে মণিপুৰত মঙলবাৰৰ পৰা 'সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন'ৰ বৈধতা আৰু ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। ইম্ফল, বিষ্ণুপুৰ, জিৰিবাম, লামফেলকে ধৰি ১৯টা থানা এলেকাৰ বাহিৰে সমগ্ৰ ৰাজ্যত এই আইনখনৰ ম্যাদ বৃদ্ধি কৰা হৈছে। একাংশ ক্ষুব্ধ আৰু উগ্ৰপন্থী গোটৰ হিংসাত্মক কাৰ্যকলাপ প্ৰতিহত কৰাৰ লগতে আইন-শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। লক্ষণীয় যে, শেহতীয়াকৈ কাংপকপি আৰু পশ্চিম ইম্ফলৰ দুটা স্থানত সংঘটিত ড্ৰ'ন আক্ৰমণৰ পিছতে ৰাজ্যখনত মেইটেই আৰু কুকি জনগোষ্ঠীৰ সংঘাতৰ পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰিছে। ইয়াৰ পিছত ৬ ছেপ্টেম্বৰত বিষ্ণুপুৰ জিলাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেৰেম্বাম কইৰেঙৰ ঘৰত ৰকেট আক্ৰমণ সংঘটিত হয়। এই ঘটনাৰ পিছতে মণিপুৰৰ এক বৃহৎ এলেকাত নিতৌ সংঘটিত হৈছে আক্ৰমণৰ ঘটনা। তালাচী অভিযানৰ সময়ত বিভিন্ন অঞ্চলৰ পৰা বহু গুলী আৰু আগ্নেয়াস্ত্ৰ জব্দ কৰা হৈছে। শেহতীয়াকৈ আৰক্ষী আৰু সেনাৰ যৌথ অভিযানত পূব ইম্ফল জিলাত উদ্ধাৰ হৈছে ২৮.৫ কেজি বিস্ফোৰক। ইফালে মণিপুৰ চৰকাৰৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙে দাবী কৰে যে জংঘল যুদ্ধ আৰু ড্ৰ'ন আক্ৰমণৰ প্ৰশিক্ষণপ্ৰাপ্ত ৯০০ কুকি উগ্ৰপন্থীয়ে ম্যানমাৰৰ পৰা মণিপুৰত প্ৰৱেশ কৰিছে। তেওঁ দাবী কৰে যে এই তথ্য চোৰাংচোৱাৰ সূত্ৰৰ পৰা লাভ কৰা হৈছে। ইতিমধ্যে মণিপুৰৰ এই উত্তপ্ত পৰিস্থিতিৰ পৰাই ৰাজনৈতিক হেঁচা আৰম্ভ হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দাবী কৰিছে যে মণিপুৰৰ পৰিস্থিতি স্বাভাৱিক হৈ পৰিছে। কুকি আৰু মেইটেইৰ সৈতে আলোচনা চলি আছে। আনহাতে, মণিপুৰ কংগ্ৰেছে দাবী কৰিছে যে ৰাজ্যত হিংসা আৰু অশান্তি অব্যাহত আছে। গুৰুত্বপূৰ্ণ যে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অথবা বিজেপিয়ে দাবী কৰা ধৰণে ৰাজ্যখনৰ দুই প্ৰধান জনগোষ্ঠী কুকি আৰু মেইটেই সকলৰ মাজত আলোচনা হোৱাৰ কোনো তথ্যও এতিয়ালৈ স্পষ্ট হোৱা নাই। বিপৰীতে সংঘাতৰ ঘটনাহে পোহৰলৈ আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ দিনত ২০০% মূল্যবৃদ্ধি

চৰকাৰ। তেতিয়া ৰাজ্য চৰকাৰ চলাই থকা তৰুণ গগৈৰ কাৰ্যকালত আলু-পিঁয়াজৰ দাম এটকা বাঢ়িলেই ৰাজ্যত হৈ-চৈ লাগিছিল। জাতীয়, জনগোষ্ঠীয়, সংখ্যালঘু, বামপন্থী সংগঠনে ৰাজ্য উত্তাল কৰি তুলিছিল। কিন্তু আজি সেই দিন নাই। এতিয়াৰ চৰকাৰে বঢ়াই বঢ়াই পেট্ৰল-ডিজেলৰ দাম কৰিলে ১০০ টকা। ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম কৰিলে ১১০০ টকা। মনমোহন সিং-তৰুণ গগৈৰ আমোলত চিলিণ্ডাৰৰ দাম আছিল মাথো ৪০০ টকা। পেট্ৰলৰ দাম আছিল ৬৬ টকা। তেতিয়া কেনেবাকৈ চৰকাৰে ২০ পইছা বঢ়াবহে লাগে জকজকাই উঠিছিল দল-সংগঠন। আজি কিন্তু সন্দেহজনকভাৱে এই ক্ষেত্ৰত সকলো নিশ্চুপ। মূল্যবৃদ্ধিত এতিয়া দল-সংগঠনৰ লগতে সকলো মৌন। সকলোৱে যেন নিদ্ৰাৰত। আজি সাধাৰণ লোকৰ ঘৰ চৌকা নজ্বলে। অসমত ২০০ শতাংশ পৰ্যন্ত খাদ্য-সামগ্ৰীৰ দাম বাঢ়িছে। আলু-পিঁয়াজৰ দাম আকাশলংঘী হৈছে। এনে ভীষণ মূল্যবৃদ্ধিৰ পিছতো যেন সুখী অসমৰ জনতা, অসমৰ দলং-সংগঠন। তাৰ মাজতে আজি পূৰ্বে বিৰোধী দল হৈ থকাৰ সময়ত বিজেপিয়ে কৰা প্ৰতিবাদলৈ মনত পেলাই দিলে অসম জাতীয় পৰিষদে। অসম জাতীয় পৰিষদৰ নেতা জগদীশ ভূঞাই হাতত ২৪ বিধ সামগ্ৰীৰ তালিকা লৈ গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেল সম্বোধন কৰি জগদীশ ভূঞাই কয় যে বণিয়াৰ নিয়ন্ত্ৰণত চৰকাৰ চলি আছে। অস্বাভাৱিক মূল্যবৃদ্ধিত জনজীৱন ব্যাহত হৈছে। মাহেকত দুবাৰকৈ বাঢ়িছে খাদ্য-বস্তুৰ দাম। চৌদিশে কৰ-কাটল আৰু বিজেপিৰ চান্দা সংস্কৃতিৰ বাবে মানুহে ফল ভুগিছে। বণিয়াৰ প্ৰতি দৰদৰ বাবে আজি ৰাইজে ফল ভুগিছে। ২০০ শতাংশ মূল্যবৃদ্ধি হৈছে। জগদীশ ভূঞাই সংবাদমেলত এখন তালিকা প্ৰকাশ কৰি ২০১৬ চনত কোনবিধ সামগ্ৰীৰ কিমান দাম আছিল আৰু বৰ্তমান কিমান দাম হৈছে তাৰ সবিশেষ উল্লেখ কৰে। ২০১৬ চনত মচুৰৰ দাম আছিল ৪৮ টকা আজি হৈছে ১৪০ টকা। ২০১৬ চনত বুটৰ দাম আছিল ৩৩ টকা আৰু আজি ১১০ টকা। গোটা মগু আছিল ৪৫ টকা আজি ১২০ টকা। ফলা মগু ৪০ টকা আছিল এতিয়া ১৪০ টকা। কাবুলি আছিল ৪০ টকা, এতিয়া ১৪০ টকা। বগা মটৰ ৩২ টকা আছিল, এতিয়া ৭০ টকা। চেনী ২৩ টকা আছিল, এতিয়া ৫০ টকা। আইজং চাইল তেতিয়া আছিল ১৬ টকা, এতিয়া ৬০ টকা। জহা চাইল ৪৫ টকা আছিল, এতিয়া ১০০ টকা। মিঠাতেল ৮৫ টকা আছিল, এতিয়া ১৫৫ৰ পৰা ২০০ টকা। ৰিফাইন ৭৫ টকা আছিল, এতিয়া ১৪০ টকা। ঘিউ ২৫ৰ পৰা ৩০০ আছিল এতিয়া ৮৫০ টকাৰ পৰা ১১০০ টকা। এই তথ্য দাঙি ধৰি ভূঞাই কয়, 'চৰকাৰী কৰ-কাটল বৃদ্ধি কৰাৰ ফলত সামগ্ৰীৰ দাম বাঢ়িছে। টোলগেট, আৰক্ষীৰ জৰিমনা, পৌৰ কৰ, ইন্ধনৰ দাম বৃদ্ধি, বিদ্যুৎ মাচুল বৃদ্ধিৰ বাবে সামগ্ৰীৰ দাম বৃদ্ধি হৈছে।" বিজেপিয়ে চৰকাৰৰ পৰা চান্দা সংগ্ৰহ কৰাৰ অভিযোগো আনে দলটোৱে। বিজেপিয়ে ফাঁচী বজাৰৰ ব্যৱসায়ীৰ পৰা অফিচিয়েলি আৰু নন-অফিচিয়েলি হাজাৰ হাজাৰ কোটি টকা সংগ্ৰহ কৰাৰ অভিযোগ আনে ভূঞাই। বিজেপিয়ে ব্যৱসায়ীৰ পৰা পুঁজি সংগ্ৰহ কৰে আৰু ব্যৱসায়ীয়ে ৰাইজৰ পৰা সেই টকা সংগ্ৰহ কৰাৰ ফলতে দাম বৃদ্ধি হোৱা বুলি দাবী কৰিছে ভূঞাই। পূৰ্বৰ চৰকাৰৰ দিনত বিজেপিয়ে কৰা প্ৰতিবাদৰ কথা মনত পেলাই জাতীয় পৰিষদৰ নেতাগৰাকীয়ে কয় যে আগতে প্ৰান্তে প্ৰান্তে বিজেপিয়ে প্ৰতিবাদ কৰিছিল। পিঁয়াজৰ মালা পিন্ধি, চিলিণ্ডাৰ লৈ গৰু গাড়ীত উঠিছিল। তেতিয়া এনে ধাৰণা দিয়া হৈছিল যে মূল্যবৃদ্ধিয়ে ভয়াবহ ৰূপ লৈছে। বিজেপিয়ে ভাল দিন আনিম বুলি কৈছিল। কিন্তু জনগণৰ ভাল দিন নাহিল। উল্লেখ্য যে এতিয়া একাংশ চৰকাৰী চাকৰিয়ালৰ সামান্য দৰমহা বাঢ়িছে যদিও শ্ৰমিক শ্ৰেণী তথা ব্যক্তিগত খণ্ড কাম কৰা লোকৰ উপাৰ্জন কিন্তু প্ৰায় একেই হৈ আছে। ফলত সাধাৰণ ৰাইজে চকুৰে সৰিয়হ ফুল দেখিবলগীয়া হৈছে যদিও দহ বছৰ পূৰ্বে ক্ষোভিত ৰাইজে এতিয়া বিজেপি চৰকাৰে সংগোপনে সৃষ্টি কৰা ঘৃণাৰ ছদ্মা পিন্ধি ২০০ শতাংশ মূল্যবৃদ্ধিকো যেন নীৰৱে মানি লৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জাহাজলৈ জাঁপ কাজিৰঙাৰ

ঠিৰাং হৈছে। অসম জাতীয় পৰিষদত আনুষ্ঠানিকভাৱে যোগ দিয়াৰ সিদ্ধান্ত লৈছে বোকাখাতৰ প্ৰাক্তন আলফা, প্ৰাক্তন বিধায়ক জীতেন গগৈ। একালত 'কাজিৰঙাৰ ৰজা' বুলি খ্যাত জীতেন গগৈয়ে সক্ৰিয় ৰাজনীতিৰ পৰা আতৰিব বুলি ভবা হৈছিল যদিও পুনৰ ৰাজনীতিত সক্ৰিয় হোৱাৰ খবৰ পোৱা গৈছে। আঞ্চলিকতাবাদী ৰাজনীতিত ভাগ্য পৰীক্ষা কৰিবলৈ বোকাখাতৰ প্ৰাক্তন বিধায়ক জীতেন গগৈয়ে ৪ অক্টোবৰত অসম জাতীয় পৰিষদত যোগদান কৰিব। ২০০১ আৰু ২০০৬ চনত বোকাখাত সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈ বিধায়ক নিৰ্বাচিত হৈছিল গগৈ। কিন্তু বিগত দুটা বিধানসভা নিৰ্বাচনত জীতেন গগৈ বোকাখাত সমষ্টিত অগপ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হাতত পৰাজিত হৈছে। বিধায়ক হৈ থকা সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত মৎস্য চিকাৰ কৰি বিতৰ্কত সোমাই পৰিছিল বিধায়ক গগৈ। 'মই কাজিৰঙাৰ ৰজা' বুলি দাবী কৰি বহু বিতৰ্কিত কাম কৰিছিল বিধায়কগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বয়ম্ভূ ধৰ্মগুৰু সদগুৰুৰ বিৰুদ্ধে

বিৰুদ্ধে দাখিল কৰা এই অভিযোগৰ শুনানি গ্ৰহণ কৰি বুধবাৰে আদালতে প্ৰশ্ন কৰে, "সদগুৰুৱে আন যুৱতীসকলৰ ব্ৰেইনৱাছ কৰি তপস্বী জীৱন বাছি ল'বলৈ কিয় পৰামৰ্শ দিছে?' দৰাচলতে তামিলনাডুৰ কয়ম্বাটুৰ কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক এছ কামৰাজে অভিযোগ কৰে যে তেওঁৰ দুই শিক্ষিত কন্যাই বিগত ১০ বছৰ ধৰি ঈশা ফাউণ্ডেশ্যনৰ যোগ কেন্দ্ৰত থাকিবলৈ বাধ্য হৈছে। সদগুৰুৱে তেওঁলোকৰ ব্ৰেইনৱাছ কৰি সংসাৰৰ মোহ-মায়া ত্যাগ কৰি যোগ কেন্দ্ৰত থাকিবলৈ বাধ্য কৰোৱা বুলিও অভিযোগ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপকগৰাকীয়ে। ইফালে অধ্যাপকগৰাকীয়ে দাখিল কৰা আবেদনৰ শুনানিৰ সময়ত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এছ এম সুব্ৰমানয়ম আৰু ভি শিৱগনামে পোনপটীয়াকৈ সদগুৰুক প্ৰশ্ন কৰে যে ঈশা ফাউণ্ডেশ্যনত কিয় যুৱতীসকলৰ ব্ৰেইনৱাছ কৰা হৈছে? আনহাতে বুধবাৰে অনুষ্ঠিত হোৱা এই গোচৰৰ শুনানিৰ সময়ত আদালতত উপস্থিত থাকে অধ্যাপকগৰাকীৰ ৪২ আৰু ৩৯ বৰ্ষীয় দুই কন্যাও। দুয়োগৰাকীয়ে উচ্চ ন্যায়ালয়ত কয় যে তেওঁলোকে স্বেচ্ছাই ঈশা ফাউণ্ডেশ্যনৰ যোগ কেন্দ্ৰত থাকিবলৈ লৈছে। কোনেও তেওঁলোকক কোনো কাম কৰিবলৈ বাধ্য কৰা নাছিল। অৱশ্যে পিতৃয়ে নিজৰ অভিযোগক লৈ অটল স্থিতি গ্ৰহণ কৰিছে। উল্লেখ্য যে, দহ বছৰ পূৰ্বে ঈশা ফাউণ্ডেশ্যনৰ যোগ কেন্দ্ৰত ভৰ্তি কৰোৱা হৈছিল দুই কন্যাক। কিন্তু পৰৱৰ্তী সময়ত তেওঁলোকে সংসাৰৰ মোহ-মায়া ত্যাগ কৰি যোগ কেন্দ্ৰতে এক নতুন জীৱন আৰম্ভ কৰিবলৈ লয়। মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ দুজনীয়া ন্যায়াধীশৰ বিচাৰপীঠে এই গোচৰৰ তদন্তৰ নিৰ্দেশ দিছে। ঈশা ফাউণ্ডেশ্যনৰ বিৰুদ্ধে এনেধৰণৰ আন কোনো অভিযোগ আছে নে নাই তাক তদন্ত কৰিবলৈও আৰক্ষীক কোৱা হৈছে। গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশ শিৱগনামে কয়, 'যিজন ব্যক্তিয়ে নিজ কন্যাক বিয়া দি উলিয়াই দিছে, তেওঁ কিয় আন যুৱতীক সাংসাৰিক জীৱন ত্যাক কৰিবলৈ অনুপ্ৰাণিত কৰিছে?' ইফালে এই সমগ্ৰ ঘটনা সন্দৰ্ভত ঈশা ফাউণ্ডেশ্যনে স্পষ্টীকৰণ দি কয় যে কোনো মহিলাই তাত থাকিবলৈ বাধ্য নহয়। তেওঁলোকে স্বেচ্ছাই যোগ কেন্দ্ৰত বাস কৰে। উল্লেখ্য যে কেইবছৰমান পূৰ্বে সদগুৰুৰ আশ্ৰমৰ বিৰুদ্ধে আন কেতবোৰ অভিযোগো উঠিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মধ্য প্ৰাচ্যত আকৌ বাজিছে

সময়ত ইৰানৰ আকাশমাৰ্গত প্ৰৱেশ কৰিব নোৱাৰিব কোনো সামৰিক বা ব্যক্তিগত বিমান। উল্লেখ্য যে, যোৱা ২৩ ছেপ্টেম্বৰত ইজৰাইল সেনাই লেবাননৰ দক্ষিণ প্ৰান্তত ৰকেট আক্ৰমণ চলাইছিল। লেবাননত সংঘটিত ইজৰাইলৰ ধাৰাবাহিক আক্ৰমণত ইতিমধ্যে প্ৰতিদিনে বৃদ্ধি পাইছে নিহতৰ সংখ্যা। ইফালে, ২৭ ছেপ্টেম্বৰত লেবাননৰ ৰাজধানী বেইৰুটৰ দক্ষিণে থকা দহিয়া অঞ্চলত ইজৰাইলৰ বিমান আক্ৰমণত নিহত হৈছিল হিজবুল্লাহৰ নেতা ছৈয়দ হাছান নছৰুল্লাহ। তাৰ পিছৰে পৰা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে উত্তেজনা। নছৰুল্লাহৰ মৃত্যুৰ পিছত ইৰানে প্ৰত্যাক্ৰমণৰ প্ৰস্তুতি চলাইছিল। মঙলবাৰে ইজৰাইল বাহিনীয়ে লেবাননত প্ৰৱেশ কৰি আক্ৰমণৰ পৰিকল্পনা কৰাৰ সময়তে ইৰাণৰ বাহিনীয়ে টেল আভিভত ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰে। তেওঁলোকে দাবী কৰে যে তেওঁলোকে প্ৰায় ২০০টা মিছাইল নিক্ষেপ কৰিছে। অৱশ্যে ইজৰাইল সেনাই এই আক্ৰমণক প্ৰতিহত কৰে। ইয়াৰ পিছতে মঙলবাৰে নিশা নেতানিয়াহুৱে জৰুৰীকালীন কেবিনেট বৈঠক আহ্বান কৰে। ইয়াৰ পিছত ইৰাণক সকীয়াই দি তেওঁ কয় যে ইৰানে আক্ৰমণ কৰি সঠিক কাম কৰা নাই। ইয়াৰ পৰিণাম তেওঁলোকে ভোগ কৰিব লাগিব। তেহৰানে প্ৰত্যুত্তৰ দি কয় যে যদি ইজৰাইলে প্ৰতিশোধৰ বাবে আক্ৰমণ কৰে তেন্তে তেওঁলোকে মনে মনে বহি নাথাকে। ইয়াৰ মাজতে আমেৰিকাই ইজৰাইলৰ কাষত থিয় দি ইৰাণৰ আক্ৰমণক গৰিহণা দিয়ে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বাইডেনে সকলো ধৰণৰ সহায়ৰো আশ্বাস দিছে। এই পৰিস্থিতিত ইৰাণে আমেৰিকাক আঁতৰি থাকিবলৈ পৰামৰ্শ দিছিল। সেই দেশৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাঘচিয়ে কয় যে তেওঁলোকে কোনো ধৰণৰ হস্তক্ষেপ সহ্য নকৰে। আনহাতে পশ্চিম এছিয়াৰ নিৰাপত্তা পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে ভাৰতেও। শান্তিৰ বাৰ্তা দি এইবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে নতুন দিল্লীয়ে। এই সন্দৰ্ভত বুধবাৰে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এক বিবৃতি প্ৰকাশ কৰে। এই বিবৃতিত সকলো পক্ষকে সংযম বৰ্তাই ৰাখিবলৈ আহ্বান জনায় ভাৰতে। বুধবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা বিবৃতিত কয়, "পশ্চিম এছিয়াত ক্ৰমবৰ্ধমান নিৰাপত্তা সংকটক লৈ আমি গভীৰভাৱে উদ্বিগ্ন। সাধাৰণ নাগৰিকৰ সুৰক্ষাৰ স্বাৰ্থত সংযম বজাই ৰাখিবলৈ সংশ্লিষ্ট সকলো পক্ষকে অনুৰোধ জনালোঁ। এই সংঘাত বৃহত্তৰ এলেকালৈ যাতে বিয়পি নপৰে, সেয়া লক্ষ্য কৰিব লাগিব। আমি অনুৰোধ কৰিছো যে সকলো সমস্যা আলোচনা আৰু কূটনীতিৰ জৰিয়তে সমাধান কৰা হওক।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মদ খুৱাবলৈ বিহাৰত পিকেই

ৰণনীতিকাৰ হিচাপে পৰিচিত প্ৰশান্ত কিশোৰে। বুধবাৰে পাটনাৰ পশু চিকিৎসা খেলপথাৰত আনুষ্ঠানিকভাৱে প্ৰশান্ত কিশোৰে আৰম্ভ কৰে নিজৰ নতুন ৰাজনৈতিক দল 'জন সুৰজ পাৰ্টি'ৰ। এই দলৰ বিষয়ে ঘোষণা কৰাৰ সময়তে প্ৰশান্ত কিশোৰে কয় যে যদি তেওঁৰ চৰকাৰ গঠন হয়, তেন্তে সুৰাৰ ওপৰত থকা নিষেধাজ্ঞা বাতিল কৰা হ'ব। বিহাৰৰ ২০২৫ চনৰ বিধানসভা নিৰ্বাচনত তেওঁৰ দলে সকলো আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলিও ইতিমধ্যে স্পষ্ট কৰি দিছে প্ৰশান্ত কিশোৰে। দলটোৰ শুভাৰম্ভ কৰি প্ৰশান্ত কিশোৰে কয়, "জন সুৰজ অভিযান ২-৩ বছৰ ধৰি চলি আছে। ৰাইজে প্ৰশ্ন কৰিছে আমি কেতিয়া দল গঠন কৰিম। আমি সকলোৱে ভগৱানক ধন্যবাদ দিয়া উচিত, আজি নিৰ্বাচন আয়োগে জন সুৰজক 'জন সুৰজ পাৰ্টি' হিচাপে আনুষ্ঠানিকভাৱে মানি লৈছে।" প্ৰশান্ত কিশোৰে লগতে কয় যে ৰাজ্যত তেওঁৰ দলৰ চৰকাৰ গঠন হ'লেই এঘণ্টাৰ ভিতৰত সুৰাৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হ'ব। সুৰাৰ পৰা লাভ কৰা ধনেৰে বিহাৰৰ শিক্ষাৰ আন্তঃগাঁথনি উন্নত কৰা হ'ব বুলিও তেওঁ কয়। পি কেয়ে কয়, "যদি আমি বিহাৰত বিশ্বমানৰ শিক্ষা ব্যৱস্থা গঢ়ি তুলিব লগা হয়, তেন্তে অহা ১০ বছৰত ৫ লাখ কোটি টকাৰ প্ৰয়োজন হ'ব। যেতিয়া সুৰা নিষেধাজ্ঞা উঠাই লোৱা হ'ব, তেতিয়া সেই ধন বাজেটত অন্তৰ্ভুক্ত নহয় অথবা নেতাৰ সুৰক্ষা কিম্বা পথ, পানী আৰু বিদ্যুতৰ বাবেও ব্যৱহাৰ কৰা নহয়, এই ধন কেৱল বিহাৰত নতুন শিক্ষা ব্যৱস্থা গঢ়ি তোলাৰ বাবে ব্যৱহাৰ কৰা হ'ব।" সুৰাৰ ওপৰত থকা নিষেধাজ্ঞাৰ বাবে বিহাৰত প্ৰতিবছৰে ২০ হাজাৰ কোটি টকাৰ লোকচান হৈছে বুলিও মন্তব্য কৰে প্ৰশান্ত কিশোৰে। 'জয়-জয় বিহাৰ'ৰ শ্লোগান দি তেওঁ পুনৰ কয়, "আমি আমাৰ জীৱনকালত এনে এখন বিহাৰ সৃষ্টি কৰিম যাৰ অপব্যৱহাৰ দেশ বা বিশ্বৰ কোনেও কৰিব নোৱাৰিব। জন সুৰজৰ লক্ষ্য হৈছে বিহাৰৰ গৌৰৱ ঘূৰাই অনা। কিন্তু, বহুতে আমাক সুধিব যে আমি বাওঁপন্থী নে সোঁপন্থী।" প্ৰশান্ত কিশোৰে কয়, "আমাৰ উদ্দেশ্য হৈছে ধৰ্ম আৰু জাতিৰ নামত কাকো বৈষম্য কৰা উচিত নহয়। আমি মুখ্যমন্ত্ৰী বা বিধায়ক হ'ব নিবিচাৰো। কিন্তু আমাৰ লক্ষ্য হৈছে যে আমাৰ জীৱনকালত এনে এখন বিহাৰ দেখা উচিত, য'ত মানুহ হাৰিয়ানা, পঞ্জাৱ, গুজৰাট আৰু মহাৰাষ্ট্ৰৰ পৰা কৰ্মসংস্থাপনৰ বাবে আহিব পাৰিব, তেতিয়াহে আমি মানি লম যে বিহাৰত কাম কৰা হৈছে।" সভাত ভাষণ দি প্ৰশান্ত কিশোৰে কয়, "আপুনি যাকে বিচাৰে ভোট দিয়ক, কিন্তু আমি নিশ্চিতভাৱে আপোনালোকৰ সন্তানৰ শিক্ষা আৰু কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিম। একাংশ লোকে প্ৰশ্ন কৰিছে যে বিহাৰে কেনেকৈ উন্নয়ন সাধন কৰিব? যেতিয়া লালু-নীতিশ আৰু প্ৰধানমন্ত্ৰী মোদীয়েই কৰিব পৰা নাই, তেন্তে প্ৰশান্ত কিশোৰে কেনেকৈ কৰিব?" ইফালে নিজৰ দলৰ আৰম্ভ কৰাৰ পিছতে জন সুৰজ পাৰ্টিৰ কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে মনোজ ভাৰতীক। মনোজ ভাৰতী ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া হিচাপে কাম কৰি আহিছে। মনোজ ভাৰতী চাৰিখন দেশত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। প্ৰশান্ত কিশোৰৰ মতে তেওঁৰ দলত অধ্যক্ষৰ কাৰ্যকাল এবছৰৰ বাবে হ'ব। তেওঁ লগতে কয় যে নিৰ্বাচনত প্ৰাৰ্থীসকলক নেতাই নিৰ্বাচন কৰা নহয়, ৰাইজেহে নিৰ্বাচন কৰিব।

# পানী কেঁচুৱাৰ মৃত্যুক লৈ শুৱালকুছিৰ স্বাস্থ্যকেন্দ্ৰত উত্তেজনা

**ই-সংবাদ, শুৱালকুছি, ২ অক্টোবৰঃ** মুখ্যমন্ত্ৰীৰ জালুকবাৰী সমষ্টিৰ অন্তৰ্গত শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত নিশা এটি সদ্যোজাত কেঁচুৱাৰ মৃত্যুত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। শুৱালকুছি আৰক্ষী দল চিকিৎসালয়খনত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত হালোগাঁৱৰ সঞ্জীৱ শালৈৰ পত্নীয়ে শুৱালকুছি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সোমবাৰে সন্ধিয়া এটি সন্তান প্ৰসৱ কৰিছিল। সোমবাৰে জন্ম পোৱা কেঁচুৱাটো মঙলবাৰৰ দুপৰীয়া পৰ্যন্ত সুস্থ অৱস্থাতে আছিল। কিন্তু দুপৰীয়া চিকিৎসালয়খনত কৰ্মৰত নাৰ্চে বেজী দিয়াৰ পিছৰে পৰা অচেতন হোৱাৰ লগতে দেহৰ বৰণ কলা পৰে। শেষত সুস্থ অৱস্থাত থকা কেঁচুৱাটোৰ মঙলবাৰে সন্ধিয়া অনাকাংক্ষিত ভাৱে মৃত্যু হয়। চিকিৎসালয় তথা নাৰ্চৰ গাফিলতিৰ বাবেই সুস্থ কেঁচুৱাটোৰ মৃত্যু হোৱা বুলি গুৰুতৰ অভিযোগ আনে পৰিয়ালে। চিকিৎসালয়খনত থকা শিশুৰোগ বিশেষজ্ঞ চিকিৎসকে এবাৰলৈ চিকিৎসা কৰা নাছিল কেঁচুৱাটোক। যাৰ পৰিণতিত প্ৰসৱৰ ২৪ ঘণ্টা নৌহওঁতেই চৰকাৰী চিকিৎসালয়ত কেঁচুৱাটোৰ মৃত্যুৰ ভুক্তভোগী অভিযোগ আনে পৰিয়ালে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী তথা স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টিৰ এইখন শুৱালকুছি প্ৰাথমিক চিকিৎসালয়ত পূৰ্বেও ভুল চিকিৎসাত ৰোগীৰ মৃত্যু হোৱাৰ অভিযোগ আছে। ১০ মাহ গৰ্ভত সযতনে সন্তান ৰখা মাতৃয়ে ভুল চিকিৎসাত সন্তানৰ মৃত্যু কোনোপধ্যেই সহজ ভাবে ল'ব পৰা নাই পিতৃ-মাতৃয়ে। ভুক্তভোগী পৰিয়ালে মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মা তথা কামৰূপ জিলা প্ৰশাসনক উচিত তদন্ত কৰি দোষী শাস্তিৰ দাবী জনাইছে পৰিয়ালটোৱে। আনহাতে শুৱালকুছি আৰক্ষীয়ে কেঁচুৱাৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।



মৰিগাঁও জিলাত পথেকজোৰা স্বচ্ছতা হি সেৱা অভিযানৰ আজি সফল সামৰণি

# ডিব্ৰুগড়ত জীতেন্দ্ৰ সিং, বৰাক-নামনি-উজনিৰ উদ্যোগ বন্ধ কৰা হৈছে

## প্ৰিয়াংকৰ মন্তব্যক ভুলকৈ প্ৰচাৰ কৰা হৈছে

**ই-সংবাদ, ডিব্ৰুগড়, ২ অক্টোবৰঃ** কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰৰ মন্তব্যক ভুলকৈ প্ৰচাৰ কৰি থকা বুলি মন্তব্য প্ৰদান কৰিছে অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে। আজি ডিব্ৰুগড়ত উপস্থিত হৈ জীতেন্দ্ৰ সিঙে কৰ্ণাটক চৰকাৰৰ মন্ত্ৰী প্ৰিয়াংক খাৰ্গেৰ মন্তব্যৰ স্পষ্টিকৰণ দি বিজেপিক উভতি ধৰি বিজেপিয়ে ভুল বাখ্যা কৰাৰ অভিযোগ আনে। ডিব্ৰুগড়ত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙ আৰু পৱন সিঙ ঘাটোৱাৰে কংগ্ৰেছ দলৰ হৈ স্থিতি স্পষ্ট কৰি কয় যে কৰ্ণাটকৰ মন্ত্ৰী প্ৰিয়াংক খাৰ্গেৰ মন্তব্য ভুলকৈ বাখ্যা কৰা হৈছে। অসমত ছেমি কণ্ডাক্টৰৰ লগতে আৰু ডাঙৰ উদ্যোগ আহিলেও কংগ্ৰেছ দলে বিৰোধিতা নকৰে বুলি কৈ নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিঙে কয় যে মই কথা স্পষ্ট কৰিছো যে প্ৰিয়াংক খাৰ্গেয়ে মনৰ কথা কৈছে। তেওঁ সমগ্ৰ দেশত যুৱ কংগ্ৰেছৰ হৈ কাম কৰিছে। তেওঁ কেৱল কৰ্ণাটকৰ কথা কোৱা নাই। তেওঁ সমগ্ৰ দেশৰ কথা কৈছে। অসমত পেপাৰ মিল বন্ধ কৰা হৈছে। চলি থকা পেপাৰ মিল বন্ধকৰা হৈছে। বৰাক, উজনি-নামনিত বহু উদ্যোগ বন্ধ কৰি এটা উদ্যোগ খোলা হৈছে। জীতেন্দ্ৰ সিঙে প্ৰিয়াংক খাৰ্গেৰ সৈতে কথা পতা বুলি উল্লেখ কৰি কয় যে তেওঁ কৈছে যে প্ৰিয়াংকে কৈছে যে যিসমূহ উদ্যোগ আছিল অসমৰ পৰা পলায়ন কৰি আছে। অসমত ক্ষুদ্ৰ, বৃহৎ উদ্যোগ স্থাপন হ'লে তাত মোৰ আপত্তি নাই। বিৰোধ নকৰো। পূৰ্বৰ পৰা থকা উদ্যোগসমূহক বন্ধ কৰাটো বন্ধ হওক বুলিও প্ৰিয়াংক খাৰ্গেয়ে কোৱা বুলি কয় জীতেন্দ্ৰ সিঙে। উল্লেখ্য যে, মধ্য অসমৰ জাগীৰোডত টাটাই ৰাজ্য চৰকাৰৰ সহযোগত ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰিছে। ২৫ ছেপ্টেম্বৰত কংগ্ৰেছ নেতা তথা কৰ্ণাটকৰ তথ্য-প্ৰযুক্তি মন্ত্ৰী প্ৰিয়াংক খাৰ্গেই বিজেপি শাসিত ৰাজ্য গুজৰাট আৰু অসমতে কেৱল ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰাত প্ৰশ্ন কৰে। এন প্ৰশ্ন কৰাত প্ৰিয়াংক খাৰ্গেৰ বিৰুদ্ধে ৰাজীৱ ভৱনৰ সন্মুখত আৰু জাগীৰোডৰ প্ৰকল্পস্থলীত প্ৰতিবাদ সাব্যস্ত কৰে বিজেপি দলে। প্ৰকৃততে এটাও ছেমি কণ্ডাক্টৰ প্ৰকল্প কংগ্ৰেছ শাসিত ৰাজ্যত নিদিয়াত কংগ্ৰেছ নেতা তথা কৰ্ণাটকৰ তথ্য-প্ৰযুক্তি মন্ত্ৰী প্ৰিয়াংক খাৰ্গেয়ে কেন্দ্ৰীয় চৰকাৰক প্ৰশ্ন কৰি কৈছিল যে ৫টা ছেমি কণ্ডাক্টৰ ইউনিটৰ ৪টা গুজৰাটক আৰু এটা অসমক দিয়া হৈছে। কিন্তু ছেমি কণ্ডাক্টৰৰ বাবে দক্ষতাৰ পৰিবেশতন্ত্ৰ নাই। উল্লেখ্য যে, আজি ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই ঘোষণা কৰা গান্ধী জয়ন্তীৰ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয় ডিব্ৰুগড়তো। ডিব্ৰুগড়ৰ কাৰ্যসূচীত অংশ ল'বলৈ জীতেন্দ্ৰ সিঙে পুৱাই ডিব্ৰুগড় বিমান বন্দৰত উপস্থিত হয়। ডিব্ৰুগড় জিলা কংগ্ৰেছৰ উদ্যোগত আয়োজিত সৰ্ব ধৰ্ম প্ৰাৰ্থনা অনুষ্ঠানত জীতেন্দ্ৰ সিং পৱন সিং ঘাটোৱাৰ উপস্থিত থাকে।



নগাওঁ কলেজ চাৰিআলিৰ স্মাৰক সৌধৰ সমুখত গান্ধী জয়ন্তী উপলক্ষে কংগ্ৰেছৰ কাৰ্যসূচী

# চাকৰিৰ নামত ধন লোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপকক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ই-সংবাদ, ২ অক্টোবৰঃ** এডিআৰইৰ নিযুক্তি পৰীক্ষা চলি থকাৰ সময়তে চাকৰি দিয়াৰ নামত ধন সংগ্ৰহ কৰা মজবুল হক চৌধুৰীক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আজি সোধ-পোছৰ বাবে আৰক্ষী থানালৈ মাতি আনি অৱশেষত মজবুল হক চৌধুৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গোৱালপাৰাৰ মহাবিদ্যালয়ৰ অধ্যাপক মজবুল হক চৌধুৰীৰ এটা ভিডিঅ' ভাইৰেল হৈছিল। য'ত তেওঁ চাকৰি দিব পাৰিম বুলি দাবী কৰিছিল লগতে কেইজনমান লোকৰ পৰা টকাৰ বান্দিল ল'বলৈ সাজু হৈ থকা দেখা গৈছিল। এই ভিডিঅ' সংবাদমাধ্যমৰ হাতত পৰাত খবৰ ৰূপে প্ৰকাশ পোৱাত গোৱালপাৰা আৰক্ষীয়ে গুৰুত্বসহকাৰে লয়। আৰক্ষীয়ে মজবুল হক চৌধুৰীক সোধ-পোছৰ বাবে মাতে। দিনটো সোধ-পোছৰ অন্তত নিশা মজবুল হক চৌধুৰীক গ্ৰেপ্তাৰ কৰিছে গোৱালপাৰা আৰক্ষীয়ে। চাকৰি দিয়াৰ নামত ধন সংগ্ৰহ কৰি প্ৰৱঞ্চনা কৰিব খোজা গোৱালপাৰামহাবিদ্যালয়ৰ অধ্যাপক চৌধুৰীৰ কাণ্ডই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল।

## শিৱসাগৰত বিধায়ক অখিল গগৈৰ বিস্ফোৰণ

# বাৰ্মিজ চুপাৰি চিণ্ডিকেট চক্ৰক ৰক্ষণাবেক্ষণ চৰকাৰৰ!

**ই-সংবাদ, শিৱসাগৰ, ২ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰিত শেহতীয়াকৈ ৩৪ হেজাৰ কিলো বাৰ্মিজ চুপাৰি আৰক্ষীয়ে জব্দ কৰাৰ পিছৰে পৰা চুপাৰি চিণ্ডিকেটক লৈ সৰৱ হৈ পৰিছে বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ। আজি শিৱসাগৰত বিধায়ক অখিল গগৈয়ে অসমত চুপাৰী চিণ্ডিকেটৰ মূল খলনায়ক হৰেন মহন্ত বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। অখিল গগৈয়ে মাজুলিৰ তথা বৰ্তমান গুৱাহাটীৰ বাসিন্দা হৰেন মহন্তৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয়, "মহন্ত নামৰ এজন চিণ্ডিকেট মাষ্টৰে এই কামটো কৰাই আছে। অসমৰ নেশ্যনেল হাইৱেটো পাৰ কৰি দিয়াৰ দায়িত্বটো লৈ আছে হৰেন মহন্ত নামৰ এজন চুপাৰি মাষ্টৰে। এই মহন্তক কেইজনমান মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ অফিচৰ পৰাই যে চাৰ্পট দি আছে এই কথাটো কোনেও নকয়।" বাৰ্মিজ চুপাৰীৰ বেহা বন্ধ কৰিবলৈ অসম চৰকাৰক দেশৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা নিৰ্দেশ দিয়াৰ পিছতো অসমৰ মাজেৰে চুপাৰিৰ সৰবৰাহ হৈ থকা বুলি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অখিল গগৈয়ে। কয়, "চুপাৰি ইন্টাৰনেচনেল বস্তু। যিহেতু ভাৰত চৰকাৰ আৰু বাৰ্মা চৰকাৰৰ মাজত চুপাৰিক লৈ কোনো চুক্তি নাই, সেয়ে ভাৰতলৈ চুপাৰি আনিবই নোৱাৰে। কাষ্টম বিভাগেও একো কৰিব নোৱাৰে। চুপাৰিৰ ক্ষেত্ৰত ইন্টাৰনেচনেল চেকিং নহয়। সেয়ে ম্যানমাৰৰ পৰা মণিপুৰ, নাগালেণ্ডৰ পৰা যিহেতু পোনে পোনে সোমাই আহে চুপাৰি আৰু চুপাৰিৰ মাজত সৰবৰাহ হয় ড্ৰাগছসহ অন্যান্য মাৰাণাস্ত্ৰ। যিটো দেশৰ সাৰ্বভৌমত্বৰ প্ৰতিও ভাবুকি। সেয়ে কেন্দ্ৰীয় চৰকাৰে চুপাৰি যাতে সোমাব নোৱাৰে তাৰ বাবে নিৰ্দেশ দিছিল অসম চৰকাৰক। কিন্তু তাৰ পিছতো অসমৰ মুখ্যমন্ত্ৰীয়ে চুপাৰি সম্পূৰ্ণ বন্ধ কৰাৰ ব্যৱস্থা কৰা নাই।" চুপাৰিৰ মাজেৰেই এতিয়াও ড্ৰাগছ, মাৰাণাস্ত্ৰ সৰবৰাহ হৈ থকাত উত্তৰ-পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সংগঠনে টকা পাই থকা বুলিও বিস্ফোৰক অভিযোগ কৰিছে অখিল গগৈয়ে। এখন এখন ট্ৰাকৰ পৰা ১২ লাখ টকা পৰ্যন্ত লৈ এই চুপাৰি চিণ্ডিকেট চলাই থকা বুলি উল্লেখ কৰি শীঘ্ৰেই এই বেহা বন্ধ কৰাৰ দাবী তুলিছে বিধায়কগৰাকীয়ে।



ৰাঁচিত 'The Follow Up Conclave-2024'ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

# প্ৰলোভনৰে যুৱতীক হোটেললৈ নি অপকৰ্ম কৰা ধনমণিক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২ অক্টোবৰঃ** দৰিদ্ৰ ঘৰৰ যুৱতীক ব্যক্তিগত খণ্ডত চাকৰি দিয়াৰ প্ৰলোভন দি শাৰীৰিক শোষণ কৰাৰ অভিযোগত আজি গুৱাহাটী আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। গুৱাহাটীৰ পাণবজাৰত অভিযান চলাই দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্তজন হৈছে ধনমণি দাস। ধনমণি দাসক গ্ৰেপ্তাৰৰ পাছতে বহু বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। খবৰ মতে, ধনমণি দাসে যুৱতীক ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত কাম দিয়াৰ প্ৰলোভন দিছিল। প্ৰলোভন দি যুৱতীক যুৱতীক শাৰীৰিক সম্পৰ্ক কৰিবলৈ বাধ্য কৰাইছিল। এজন দুজন নহয় প্ৰায় বহু যুৱতীৰ সৈতে অপকৰ্ম সংঘটিত কৰি জীৱন ধ্বংস কৰিছে ধনমণিয়ে। যুৱতীক গোপন স্থানলৈ নি অসৎ কাৰ্যত লিপ্ত কৰাবলৈ বাধ্য কৰাইছিল। খাদ্য আৰু পানীয়ত নিচাযুক্ত দ্ৰব্য মিহলাই নিচাসক্ত অৱস্থাত যুৱতীৰ সৈতে শাৰীৰিক সম্পৰ্ক কৰিছিল। শাৰীৰিক সম্পৰ্ক গঢ়ি সেই দৃশ্য ৰেকৰ্ড কৰিছিল। সেই ভিডিঅ' দেখুৱাই বহু যুৱতীক ব্লেকমেইল কৰি আহিছিল ধনমণিয়ে। দৰিদ্ৰ ঘৰৰ বিপদত পৰা যুৱতীক টাৰ্গেট কৰি লৈছিল। মোবাইলৰ পৰা মেছেজ দি হোটেললৈ মাতি অনাৰ খবৰ লাভ কৰিছিল আৰক্ষীয়ে। এগৰাকী যুৱতীয়ে ধনমণিৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল।

## সম্প্ৰীতিৰ নিদৰ্শন

# হিন্দুৰ তিনিটা প্ৰজন্মই পৰিচালনা কৰি আহিছে ইছলামধৰ্মীৰ দৰগাহ

**ই-সংবাদ, চাবুৱা, ২ অক্টোবৰঃ** এইখন হৈছে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ গুৰুজনাৰ অসম। এইখন অসমক কোৱা হয় শংকৰ-আজানৰ অসম। য'ত ধৰ্ম, বৰ্ণ, জাতিক লৈ ভেদাভেদ নাই। শংকৰ-আজানৰ অসমত আজিও মানৱতাবাদ, ভাতৃত্ববোধ, সম্প্ৰীতিৰ এনাজৰী কটকটীয়া হৈ আছে। সম্প্ৰীতিৰ এনাজাৰীডাল কটকটীয়া কৰি ৰখাত সময়ে সময়ে বহু লোকে অৰিহণা যোগায় আহিছে। ডিব্ৰুগড় জিলাৰ নাদুৱাতো তেনে এগৰাকী লোকে এনাজাৰীডাল কটকটীয়া কৰি ৰখাত অৰিহণা যোগাইছে। নাদুৱা চাইডিঙত আছে ইছলামধৰ্মী লোকৰ এক উপাসনাস্থলী। হজৰত ছৈয়দ আব্দুলা এনায়ত পীৰৰ নামত আছে এটি দৰগাহ। য'ত প্ৰতিবছৰে এটা বিশেষ দিনত জিয়াৰত অৰ্থাৎ মৃতকৰ আত্মাৰ শান্তিৰ বাবে দোৱা কৰা হয়। কেইবা শ বছৰ পুৰণি এনায়ত পীৰৰ দৰগাহ চোৱা চিতা কৰে হিন্দু সমাজে। দৰগাহ পৰিচালনা কৰে এজন হিন্দু যুৱকে। দৰগাহ পৰিচালনা কৰে সঞ্জয় প্ৰসাদ সিংহই। সঞ্জয় প্ৰসাদ সিংহৰ তিনিটা প্ৰজন্মই দৰগাহখন পৰিচালনা কৰি আহিছে। দৰগাহ মেৰামতি কৰা, দৰগাৰহ সম্পত্তিক সুৰক্ষা দিয়াৰ দায়িত্ব সঞ্জয় প্ৰসাদ সিংহৰ পৰিয়ালৰ। শেহতীয়াকৈ পুনৰ মেৰামতি কৰি থকা হৈছে দৰগাহখন। দৰগাহত পুনৰ মেৰামতি কৰিবলৈ উদ্যোগ লৈছে খোদ সঞ্জয়ে। সঞ্জয়ে কয় যে দৰগাহত মনৰ আশা পূৰণ কৰাৰ কামানেৰে দূৰদূৰণি পৰা বহু লোক আহে। এয়া এক সম্প্ৰীতিৰ বিৰল নিদৰ্শন ।এইখন অসমক সেয়েহে কোৱা হয় সম্প্ৰতিৰ মিলনভূমি। একাংশই ধৰ্মীয় মেৰু বিভাজনৰ ৰাজনীতি কৰি গৈছে। কিন্তু সঞ্জয় প্ৰসাদ সিংহই সমাজখনক বান্ধি ৰাখিছে। ধৰ্মৰ নামত চলি থকা অসহিষ্ণুতাৰ মাজতে সঞ্জয় প্ৰসাদ সিংহৰ পৰিয়ালে দিছে শান্তি-সম্প্ৰীতিৰ বাৰ্তা।




বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰুণ বড়োক নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত




# মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, মৰিগাঁও, ২ অক্টোবৰঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসটি আজি দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে জিলা সাহিত্য সভাৰ কাৰ্যালয় শশীকান্ত হাজৰিকা ভৱনত অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ পুৱাৰ ভাগত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে প্ৰাক্তন সভাপতি বুবুমণি গোস্বামীয়ে।অনুষ্ঠানটি আঁতধৰে সম্পাদক ড০ অচ্যুত কুমাৰ দাসে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মৰিগাঁও জিলা সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ উদ্যোগত এখনি কবি সন্মিলন আৰু এটি গীত মাতৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

## ২০১৪ চনত অসমত ৪৬ লাখ শৌচাগাৰ নিৰ্মাণ কৰিলো

# কাজিৰঙাৰ কঁহৰাত স্বচ্ছ ভাৰত অভিযানৰ কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা

**ই-সংবাদ, ২ অক্টোবৰঃ** কাজিৰঙাৰ কঁহৰাত আজি 'স্বচ্ছতাই সেৱা ২০২৪'-ৰ সামৰণি অনুষ্ঠানৰ লগতে 'স্বচ্ছ ভাৰত দিৱস'ৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠান অংশগ্ৰহণ কৰে অসম চৰকাৰৰ জনস্বাস্থ্য, অভিযান্ত্ৰিক, দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যোগীকৰণ আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে আজি এটা পবিত্ৰ দিন। ভাৰতবাসীৰ কাৰণে এটা স্মৰণীয় দিন। আজি জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জন্মদিন। আজি সকলোৰে শ্ৰদ্ধাৰ লালবাহাদুৰ শাস্ত্ৰীৰো জন্মদিন। এই পবিত্ৰ দিনটোত সমগ্ৰ ভাৰতবৰ্ষতে স্বচ্ছ ভাৰত দিৱস হিচাপে আমি পালন কৰিছো। যোৱা মাহৰ ১৭ ছেপ্টেম্বৰৰ পৰা পযেকজোৰা কাৰ্যসূচীৰে সেৱা সপ্তাহৰ শুভাৰণি কৰাৰ পিছত স্বচ্ছতাই সেৱা শীৰ্ষক শ্ল'গানেৰে সমগ্ৰ ভাৰতবৰ্ষতে ১৫ টা দিন স্বচ্ছতাৰ বিভিন্ন কাৰ্যসূচী কৰি আজি স্বচ্ছ ভাৰত দিৱসত আজি স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত কৰা এই সামৰণি অনুষ্ঠানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগত জড়িত এই অঞ্চলৰ স্থানীয় ৰাইজ, এই অঞ্চলৰ ষ্টেক হোল্ডাৰ আদি সকলো ওলাই আহি আজিৰ এই স্বচ্ছ ভাৰত দিৱসত যিধৰণে নিজৰ অৰিহণা যোগাইছে বা নিজৰ উপস্থিতিৰে স্বচ্ছ ভাৰতৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা সুন্দৰভাৱে দেখুৱাই দিছে তাৰ বাবে মন্ত্ৰীগৰাকীয়ে আটাইলৈ ধন্যবাদ জ্ঞাপন কৰে। মহামানৱ মহাত্মা গান্ধীয়ে স্বাধীনতাৰ সময়তে স্বচ্ছতাৰ কথা কৈছিল বুলি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে।




তেওঁ কয় যে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰত স্বাধীন হোৱাৰ পিছত যিসকলে তেখেতৰ নামেৰে ৬০ টা বছৰ ভাৰতবৰ্ষত শাসন কৰিলে, তেখেতৰ যি মূলমন্ত্ৰ আছিল স্বচ্ছতা, সেই কথাটো যেন পাহৰি গৈছিল আৰু সেয়াই স্বাধীনতাৰ এই অমৃত কালৰ আমাৰ বিশ্লেষণ। তেওঁ পুনৰ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত দায়িত্ব লোৱাৰ পিছতেই মহামানৱ মহাত্মা গান্ধীৰ এটা মূল লক্ষ্য স্বচ্ছতা- আৰু এই স্বচ্ছতাকে জীৱনৰ লক্ষ্য হিচাপে ল'বৰ কাৰণে এই স্বচ্ছ ভাৰত মিছন আৰম্ভ কৰিছিল আজিৰ পৰা ১০ বছৰ আগত। স্বচ্ছ ভাৰত অভিযানে আজি ১০ টা বছৰ সম্পূৰ্ণ কৰিলে। এই ১০ টা বছৰত আমি গম নোপোৱাকৈ কিছুমান এনেকুৱা সুন্দৰ অভ্যাস আমি গঢ়ি তুলিলো, যি আজি আমাক কেতিয়াবা পুলকিত কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণত কয় যে যেতিয়া মোদী ডাঙৰীয়াই ভাৰতবৰ্ষক স্বচ্ছ ৰখাৰ কথা কৈছিল, তেতিয়া বহুত মানুহে ইতিকিং কৰিছিল। কিন্তু যিসময়ত মোদী ডাঙৰীয়াই এই কথা কৈছিল, সেই সময়ত ভাৰতবৰ্ষৰ বহু মানুহৰ ঘৰত শৌচালয় নাছিল। মানুহে মুকলিত শৌচ কৰিবলৈ যাব লগা হৈছিল। ভাৰতৰ মানুহে যাতে মুকলিত শৌচ কৰিবলৈ যাব লগা নহয় তাৰ বাবে আমি শৌচাগাৰ নিৰ্মাণ কৰা আৰম্ভ কৰিলো। লাখ নহয়, কোটিৰ ঘৰত আমি শৌচাগাৰ নিৰ্মাণ কৰিলো। মন্ত্ৰীগৰাকীয়ে গৌৰৱেৰে কয় যে, ২০১৪ চনত এই স্বচ্ছ ভাৰত মিছন আৰম্ভ কৰাৰ পিছত অসমত আমি ৪৬ লাখ শৌচাগাৰ নিৰ্মাণ কৰিলো। এয়া সৰু কথা নহয়। মন্ত্ৰীগৰাকীয়ে কয় যে অসমত এতিয়াও মুকলিত শৌচ কৰা মানুহ আছে। বিশেষকৈ বাগান অঞ্চলৰ কথা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বাগানৰ শ্ৰমিকৰ ঘৰত ১০০ শতাংশ যাতে শৌচাগাৰ নিৰ্মাণ কৰিব পৰা তাৰ বাবে অহা বছৰৰ পৰা এক অভিযান আৰম্ভ কৰাৰ কথা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই অভিযান আজিৰে পৰা আৰম্ভ কৰা হ'ল বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। এইক্ষেত্ৰত তেওঁ বাগান কৰ্তৃপক্ষ, শ্ৰমিক সংগঠনক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। এইবেলি বাগান অঞ্চলত ২ লাখ শৌচাগাৰ নিৰ্মাণ কৰি শ্ৰমিকসকলৰ শৌচাগাৰৰ অভাৱ দূৰ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে। আনহাতে, বাগানৰ চালান বিলাকতো তেওঁ ম'বাইল টয়লেটৰ ব্যৱস্থা কৰি দিয়াৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কাজিৰঙাতো দুখন ম'বাইল টয়লেট অতি কম সময়ৰ ভিতৰত দিয়াৰ কথা ঘোষণা কৰে।

# দুলীয়াজানসহ অইলৰ ৪টা সংকুচিত বায়'গেছ প্ৰকল্পৰ ভাৰ্চুৱেলি উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ

**ই-সংবাদ, দুলীয়াজান, ২ অক্টোবৰঃ** অইল ইণ্ডিয়া লিমিটেডৰ চাৰিটাকৈ সংকুচিত বায়'গেছ (চি বি জি) প্ৰকল্প আজি গান্ধী জয়ন্তী তথা স্বচ্ছ ভাৰত দিৱসৰ সৈতে সংগতি ৰাখি দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভূমি পূজনেৰে উদ্বোধন কৰে। বহনক্ষম আৰু পৰিৱেশ অনুকূল শক্তিৰ পৰিৱেশ গঢ়ি তোলাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰীগৰাকীয়ে সমগ্ৰ দেশৰে মুঠ ৩৩ টা সংকুচিত বায়'গেছ প্ৰকল্পৰ ভাৰ্চুৱেলি ভূমি পূজন সম্পন্ন কৰে। ইয়াৰে অসমৰ গুৱাহাটী, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াৰ মুঠ চাৰিটাকৈ মূল প্ৰকল্পৰ দায়িত্বত আছে দেশৰ দ্বিতীয় বৃহৎ ৰাজহুৱা খণ্ডৰ তৈল উদ্যোগ অইল ইণ্ডিয়া লিমিটেড। ভাৰত চৰকাৰৰ বহনক্ষম শক্তি ভৱিষ্যতৰ স্বপ্নৰ এক অংশস্বৰূপে অইল ইণ্ডিয়া লিমিটেডে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সৈতে সমন্বয়েৰে আৰু ৰাজহুৱা খণ্ডৰ ইউনিট বিনিয়োগ অথবা ব্যক্তিগত উদ্যোগীৰ সহযোগিতাৰ জৰিয়তে ২০২৫ চনৰ ভিতৰত ২৫ টা সংকুচিত বায়'গেছ প্ৰকল্প স্থাপনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। অইল ইণ্ডিয়াই বিকল্প শক্তিৰ ক্ষেত্ৰত বৈচিত্ৰ্য অনাৰ এক কৌশলগত পৰিকল্পনা প্ৰস্তুত কৰিছে, যাৰ লক্ষ্য হৈছে ২০৪০ চনৰ ভিতৰত নেট-জিৰ' প্ৰাপ্তিৰ লগতে অৰ্থনৈতিক, পৰিৱেশ আৰু সামাজিক লাভৰ সুবিধা অৰ্জন কৰা। পৌৰসভাৰ গোটা আৱৰ্জনাক সংকুচিত বায়'গেছলৈ ৰূপান্তৰিত কৰি অইলে কেৱল স্বচ্ছ ভাৰত অভিযানৰ লক্ষ্য পূৰণ কৰাই নহয়, সকলোৰে বাবে এক পৰিষ্কাৰ আৰু স্বাস্থ্যকৰ পৰিৱেশ সৃষ্টিৰো প্ৰয়াস কৰিছে। এই চি বি জি প্ৰকল্পসমূহত উন্নত শূন্য তৰল নিৰ্গমনৰ ব্যৱস্থা আছে যি পৰিৱেশৰ ওপৰত নূন্যতম প্ৰভাৱ নিশ্চিত কৰে। প্ৰতিটো প্ৰকল্পই প্ৰতিদিনে কোনো পৌৰসভা বা পৌৰনিগমৰ ১২৫ টন গোটা আৱৰ্জনা প্ৰক্ৰিয়াকৰণ কৰিবলৈ সক্ষম। পাছলৈ এই আৱৰ্জনা প্ৰতিদিনে প্ৰায় ২ টন কম্প্ৰেছড বায়'গেছলৈ ৰূপান্তৰিত হ'ব। উৎপাদিত জৈৱ গেছক নিকটতম উপলব্ধ চহৰৰ গেছ বিতৰণ কেন্দ্ৰত একত্ৰিত কৰিব পৰা যাব অথবা পোনপটীয়াকৈ চি এন জি খুচুৰা বিক্ৰেতাক যোগান ধৰিব পৰা যাব। আৱৰ্জনাসমূহৰ এই ব্যৱহাৰে প্ৰদূষণ হ্ৰাস কৰাত অৰিহণা যোগোৱাৰ লগতে স্বচ্ছ শক্তিৰ বিকল্প উৎসও প্ৰদান কৰে। এই পদক্ষেপক ভাৰত চৰকাৰৰ 'সুলভ পৰিবহণৰ দিশত বহনক্ষম বিকল্প'(এছ এ টি এ টি) আৰু গোবৰধন আঁচনিৰ সৈতে সংগতি ৰখা হৈছে, যাৰ উদ্দেশ্য হৈছে চি বি জিক এক স্বচ্ছ আৰু সুলভ ইন্ধন হিচাপে ব্যৱহাৰক প্ৰসাৰিত কৰা। তদুপৰি এই প্ৰকল্পসমূহে স্থানীয় লোকসকলৰ বাবে নিয়োগৰ সুযোগ সৃষ্টি কৰা আৰু অৰ্থনৈতিক উন্নয়নৰ লগতে স্থানীয় অঞ্চলসমূহৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ থল আছে। এই পদক্ষেপে দেশৰ আমদানিকৃত ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে শক্তিখণ্ডক অধিক স্বাধীন আৰু স্বাৱলম্বী হোৱাত অৰিহণা যোগাব বুলি ধাৰণা কৰা হৈছে। আজি অসমৰ উক্ত চাৰিটা স্থানত অনুষ্ঠিত হোৱা এই ভাৰ্চুৱেল অনুষ্ঠানত উপস্থিত থকা চৰকাৰী উচ্চপদস্থ বিষয়া, বিভিন্ন উদ্যোগৰ শীৰ্ষ বিষয়াবৰ্গ আৰু জন প্ৰতিনিধিয়ে এই প্ৰকল্পসমূহে পৰিৱেশ সংৰক্ষণ আৰু আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা প্ৰকাশ কৰে। ভাৰতে স্বচ্ছ শক্তিৰ নেতৃত্ব লোৱাৰ লক্ষ্যৰে আগবাঢ়ি যোৱাৰ সময়তে এই চিবিজি প্ৰকল্পসমূহৰ স্থাপনে সেউজ, অধিক স্থিতিস্থাপক ভৱিষ্যতৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ভূমিকা পালন কৰিব। আজি অইল ইণ্ডিয়াই এই গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে ভাৰতৰ শক্তিৰ প্ৰয়োজনীয়তাক সমৰ্থন কৰাৰ লগতে বহনক্ষম পদ্ধতিসমূহ আকোঁৱালি লোৱা আৰু স্বচ্ছ শক্তিৰ উৎসৰ উন্নয়নক পোষকতা কৰাৰ প্ৰতিশ্ৰুতিক পুনৰ দৃঢ় কৰিছে। এই পদক্ষেপে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়ন আৰু বহনক্ষম শক্তিৰ লক্ষ্য পূৰণত যথেষ্ট অৰিহণা যোগাবলৈ সক্ষম হ'ব বুলি ধাৰণা কৰা হৈছে।

# বিটিচি চৰকাৰৰ উদ্যোগত গান্ধী জয়ন্তী উদযাপন

**ই-সংবাদ, কোকৰাঝাৰ, ২ অক্টোবৰঃ** বিটিচি চৰকাৰৰ উদ্যোগত বিটিচি সচিবালয়ৰ মূল গেটৰ সন্মুখত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত আজি শ্ৰদ্ধাঞ্জলী জ্ঞাপনেৰে গান্ধী জয়ন্তী উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি জাতিৰ পিতা মহাত্মা গান্ধীলৈ গভীৰ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কয় যে অহিংসাই একমাত্ৰ পথ যত সমাজ আগবাঢ়ি যাব পাৰে। দশক দশক ধৰি হিংসাত্মক পৰিস্থিতি আৰু অশান্তিৰ পিছত এতিয়া বড়োলেণ্ডলৈ শান্তি ঘূৰি আহিছে বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। ইপিনে গান্ধী জয়ন্তী উদযাপনৰ লগতে ড° বাচী ৰাম বড়ো ডক্টৰেল ফেলোশ্বিপ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰমোদ বড়োৱে। এই ফেলোশ্বিপটোৱে প্ৰতিষ্ঠিত ভাৰতীয় বিশ্ববিদ্যালয়সমূহত ডক্টৰেট অধ্যয়ন কৰি থকা বিটিআৰৰ ৫০ জন মেধাৱী শিক্ষাৰ্থীক প্ৰতি ছয় মাহত ৯০ হাজাৰ টকাকৈ বছৰত মুঠ এক লাখ আশী হাজাৰ টকা কৰি দুবছৰ বাবে দিয়া হ'ব বুলি ঘোষণা কৰে প্ৰমোদ বড়োৱে।



ইয়াৰউপৰি উক্ত অনুষ্ঠানত মিছন বৈসুমথীৰ অধীনত ভূমি সম্পৰ্কীয় অভিযোগসমূহ দ্ৰুতগতিত সমাধান নিশ্চিত কৰিবলৈ 'অভিযোগৰ বাকচ' বিতৰণ কৰা হয়। প্ৰতি ১৫ দিনৰ মূৰে মূৰে অভিযোগ বাকচ সমূহ খোলা হ'ব আৰু অভিযোগসমূহ নিষ্পত্তি কৰা হ'ব বুলি সদৰি কৰিছে প্ৰমোদ বড়োৱে। আনহাতে আজি বিটিচি সচিবালয়ত গ্ৰীণ বড়োলেণ্ড মিছনৰ অধীনত প্ৰতিজ্ঞা গ্ৰহণ অনুষ্ঠানৰো আয়োজন কৰা হয়। ২০০০ স্বেচ্ছাসেৱকে বড়োলেণ্ড সেউজ কৰি ৰাখিবলৈ শপত লয়। উক্ত অনুষ্ঠানত বিধায়ক লৰেঞ্চ ইছলাৰীও উপস্থিত থাকে। উল্লেখ্য যে আজি বিটিচি সচিবালয়ৰ মূল গেটৰ সন্মুখত গান্ধী জয়ন্তী উদযাপন অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচিৰ প্ৰধান সচিব আকাশদ্বীপ আদিকে ধৰি আন বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকি মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

শেষ পৃষ্ঠা

# ডিভিজন ফুটবল লীগত গড়মাৰী ৰাইনুজ আৰু ইয়ং স্পৰ্টিংৰ জয়লাভ



**ই-সংবাদ, মৰিগাঁও, ২ অক্টোবৰ :** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ প্ৰথম খেলখনত গড়মাৰী ৰাইনুজ ক্লাবে সুন্দৰ দলীয় সংহতিৰ খেল প্ৰদৰ্শন কৰি মৰিগাঁও মৰ্ণিং ক্লাবক ৬-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । বিপুল সংখ্যক ফুটবল প্ৰেমী দৰ্শকৰ উপস্থিতিত বিয়লিৰ ভাগত অনুষ্ঠিত দ্বিতীয়খণ খেলত বৰিগাওঁ ইয়ং স্পৰ্টিং ক্লাৱে সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি মৰিগাঁও ৰাণা ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। আজিৰ খেল দুখন পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী ভোগসিং বৰদলৈ, পদ্ম পাতৰ, তুলেশ্বৰ বাংঠাই আৰু বলেন বৰাই।



মৰিগাঁৱত মহালয়াৰ পুৱা দুৰ্গতিনাশিনী মা দুৰ্গাক ভক্তপ্ৰাণৰ আৰাধনা

# নগাঁৱৰ পশ্চিমাঞ্চলত অব্যাহত তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্য, নিহত পথচাৰী

**ই-সংবাদ, বেবেজীয়া, ২ অক্টোবৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰত দীৰ্ঘদিনৰে পৰা অব্যাহত আছে তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্য । আৰক্ষী আৰু পৰিবহন বিভাগৰ ৰহস্যজনক নিৰৱতাত দিনে-নিশাই অবাধে চলি থকা এই তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত বিগত সময়ছোৱাত কেইবাজনো লোকে অকাল মৃত্যুক সাৱটিবলগীয়া হৈছে । তৎস্বত্তেও এইবোৰক নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আৰক্ষী আৰু পৰিবহন বিভাগে প্ৰয়োজনবোধ নকৰাৰ হেতু এনে দ্ৰুতবেগী ডাম্পাৰৰ দ্বাৰা মঙলবাৰে নিশা বটদ্ৰৱাৰ লালুং গাঁৱত সংঘটিত হয় অনুৰূপ এক কৰুণ ঘটনা । আচলতে, মৃত্যুদূতৰূপী হৈ পৰা এনে তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত থিতাতে নিহত হয় এজন পথচাৰী । নিহত পথচাৰীজন লালু গাঁৱৰ চুলতান আলী বুলি জানিব পৰা গৈছে । প্ৰাপ্ত খবৰ মতে, মানসিকভাৱে কিছু পৰিমাণে অসুস্থ চুলতান আলীয়ে পথৰ কাষেৰে গৈ থকা অৱস্থাত এখন তীব্ৰবেগী ডাম্পাৰে মহতিয়াই নিয়ে । ফলত চুলতান আলী ঘটনাস্থলীতে মৃত্যুৰ মুখত পৰে । ইফালে, দুৰ্ঘটনাটো সংঘটিত কৰিয়েই চালকে ঘাতকৰূপী ডাম্পাৰখন লৈ কৌশলেৰে পলায়ন কৰে । পিছত ঘটনাৰ খবৰ পাই বটদ্ৰৱা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে । এই ঘটনাই ক্ষুভিত কৰি তোলা অঞ্চলবাসী ৰাইজে এনেদৰে দিনে-নিশাই চলি থকা ডাম্পাৰৰ দৌৰাত্ম্য ৰুধৰ ক্ষেত্ৰত বিহীত কাৰ্যকৰী ব্যৱস্থা গ্ৰহন কৰিবলৈ পুনৰবাৰ জিলা আয়ুক্তৰ প্ৰতি দাবী জনাইছে ।

# বিজনীৰ বল্লামগুৰিৰ শিক্ষক-মহিলাৰ অশ্লীল ভিডিঅ' ভাইৰেল

**ই-সংবাদ, বিজনী, ২ অক্টোবৰঃ** নামনি অসমৰ বিজনীৰ বল্লামগুৰি আৰক্ষী চকী এলেকাৰ ভূমিকাপাৰ চাৰিআলিৰ এখন শিক্ষানুষ্ঠানত শিক্ষকতা কৰা আব্দুল খালেকৰ কেইটামান অশ্লীল ভিডিঅ' ভাইৰেল হোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শিক্ষক আব্দুল খালেকৰ ঘৰ বিজনীৰ ভাওৰাগুৰিত। জানিব পৰা মতে, মোবাইলে মোবাইলে কুকীৰ্তিৰ ভিডিঅ' ভাইৰেল হোৱাত শিক্ষকজনে পলায়ন কৰিছে। আৰক্ষীৰ জেৰাৰ সন্মুখীন হোৱাৰ ভয়ত খালেক গোপন স্থানত বাহৰ পতাৰ অভিযোগ উঠিছে। শিক্ষক খালেক প্ৰায়ে এঘৰলৈ প্ৰায়ে গৈছিল। গোপনে নিজ ঘৰৰ পৰা এঘৰ মানুহৰ ঘৰলৈ গৈ এটা কোঠাত সোমাই। কোঠাত থাকে এগৰাকী মহিলা। মহিলাৰ সৈতে প্ৰথমে ইটো কথা পাতে। তাৰ পাছতে মহিলাৰ সৈতে অনৈতিক কাণ্ড সংঘটিত কৰা বুলি অভিযোগ উঠিছে। এদিন দুদিন নহয় প্ৰায়ে শিক্ষকজনে একেটা পৰিয়াললৈ যোৱাৰ অভিযোগ উঠিছে। শিক্ষকজনৰ ভিডিঅ' ভাইৰেল হোৱাত শিক্ষক সমাজ লজ্জানত। এইবাৰ নামনি অসমত শিক্ষকে এনে কাণ্ড সংঘটিত কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শিক্ষগৰাকীৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভিন্নজনে দাবী জনাইছে। কিন্তু শিক্ষকজন আৰু মহিলাৰ গোপন মুহূৰ্তৰ ভিডিঅ' ৰেকৰ্ড কোনে কৰি ভাইৰেল কৰিলে সেয়া জানিব পৰা হোৱা নাই।






newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)